অধ্যায় ৯ ঃ ৰমা দাশ ঃ 'অবুজ মায়া'

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ৰমা দাশ ঃ জীৱন আৰু কৃতি
৯.৩.১ ৰমা দাশৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ
৯.৪ 'অবুজ মায়া'
৯.৪.১ গল্পটোৰ মূল পাঠ
৯.৪.২ গল্পটোৰ চৰিত্ৰসমূহ
৯.৪.৩ গল্পটোৰ সাধাৰণ আলোচনা
৯.৪.৪ চুটিগল্প হিচাপে 'অবুজ মায়া'
৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৬ অধিক জানিবলৈ
৯.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আৱাহন যুগৰ গল্প সম্পৰ্কে এটি আভাস লাভ কৰিব
- গল্পকাৰ ৰমা দাশৰ জীৱন আৰু সাহিত্য-কৃতিৰ সৈতে পৰিচয় হ'ব পাৰিব
- ৰমা দাশৰ গল্পৰ মূল বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- 'অবুজ মায়া' গল্পটিৰ এটি সামগ্ৰিক আলোচনা দাঙি ধৰিব পাৰিব
- ৰমা দাশৰ গাল্পিক প্ৰতিভাৰ পৰিচয় লাভ কৰিব
- চুটিগল্প শিল্পকলা সম্পৰ্কে ধাৰণা লাভ কৰিব।


৯.২ পৰিচয়

'অসমীয়া চুটিগল্প' শীৰ্ষক বুনিয়াদী পাঠ্যবিষয়ৰ এইটো নৱম অধ্যায়। *জোনাকী* আলোচনীৰ পাতত অসমীয়া চুটিগল্পই জন্ম লাভ কৰি পৰৱৰ্তী কালত বিভিন্ন গল্পকাৰৰ হাতত বিকাশ লাভ কৰে।এই ক্ষেত্ৰত *আৱাহন* (১৯২৯) আলোচনীয়ে অসমীয়া চুটিগল্পৰ সমৃদ্ধি আৰু বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। আৱাহন যুগৰ গল্পকাৰসকলৰ ভিতৰত ৰমা দাশ এগৰাকী অন্যতম জনপ্ৰিয় গল্পকাৰ আছিল। আমি এই অধ্যায়টোত ৰমা দাশৰ সাহিত্য-কৃতি, গল্পৰ মূল বৈশিষ্ট্যসমূহ আৰু 'অবুজ মায়া' গল্পটিৰ এক সামগ্ৰিক আলোচনা আগবঢ়ামহঁক।

৯.৩ ৰমা দাশ ঃ জীৱন আৰু কৃতি

আৱাহন যুগৰ এগৰাকী বিশেষ জনপ্ৰিয় গল্পকাৰ হৈছে ৰমা দাশ। অসমীয়া সাহিত্য জগতত মুখ্যতঃ এগৰাকী প্ৰেমৰ গল্পকাৰ হিচাপেই তেওঁ বিশেষ স্থান লাভ কৰিছে।

1909 চনত বৰপেটাত তেওঁৰ জন্ম হয়। স্কুলীয়া শিক্ষা সাং কৰি স্নাতক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। সেই সময়ৰ অসমৰ ৰাজধানী শিলঙত অৱস্থিত অসম চৰকাৰৰ সচিবালয়ৰ চাকৰিত যোগদান কৰি বিত্ত বিভাগৰ অবৰ সচিব ৰূপে অৱসৰ গ্ৰহণ কৰে। চাকৰি জীৱনৰ ব্যস্ততাৰ মাজতো তেওঁ সাহিত্য-চৰ্চা অব্যাহত ৰাখে। তেওঁ ভালেমান গল্প, প্ৰবন্ধ, অনাতাঁৰ নাট, কবিতা আদি ৰচনা কৰিছিল যদিও গল্পকাৰ হিচাপেই তেওঁ অসমীয়া সমাজত বিশেষভাৱে জনপ্ৰিয়। তেওঁৰ উল্লেখযোগ্য চুটিগল্প পুথিসমূহ হ'ল— *ৰমা দাশৰ শ্ৰেষ্ঠ গল্প* [1952], *বৰ্ষা যেতিয়া নামে* [1962], *জাহ্নবী* [1965] আৰু *অচল টকা* [1990]। মুনীন্দ্ৰ নাথ বৰুৱাই তেওঁৰ গল্পসমূহ সঙ্কলন কৰি *ৰমা দাশৰ গল্প সমগ্ৰ* নামেৰে 2000 চনত প্ৰকাশ কৰি উলিয়ায়। তেওঁ *শব্দতত্ত্ব* নামৰ এখন অভিধানো ৰচনা কৰিছিল। ইয়াৰ উপৰিও তেওঁ জনজাতীয় সাধু, ৰম্য ৰচনা, কবিতা, প্ৰৰন্ধ আদিও ৰচনা কৰিছিল। 1981 চনৰ 11 নৱেম্বৰ তাৰিখে তেওঁৰ মৃত্যু হয়।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ ৰমা দাশৰ সাহিত্য-কৃতি সম্পৰ্কে চমুকৈ লিখক। (150 টা শব্দৰ ভিতৰত)

৯.৩.১ ৰমা দাশৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ

আৱাহন যুগটো [1929–1940] প্ৰচ্ছন্নভাৱে ৰোমাণ্টিক যুগ¼এই যুগত নৰ-নাৰীৰ প্ৰেম আৰু ফ্ৰয়ডীয় মনস্তত্ত্বই গল্পসমূহত গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল। আৱাহন যুগৰ গল্পৰ এনে গতানুগতিক ধাৰাৰ সৈতে ৰমা দাসৰ গল্পসমূহৰ কোনো পাৰ্থক্য নাছিল। আৱাহন যুগৰ বহুকেইগৰাকী গল্পকাৰৰ গল্পত শিল্প গুণৰ অভাৱ থাকিলেও সামাজিক দায়বদ্ধতা আৰু গভীৰ জীৱনবোধৰ পৰিচয় তাত পোৱা গৈছিল। এই ক্ষেত্ৰত কিন্তু ৰমা দাশৰ গল্পসমূহত তাৰ অভাৱ পৰিলক্ষিত হয় আৰু সেইবাবেই তেওঁৰ গল্পসমূহ নিম্নমানৰ আছিল বুলি বিশিষ্ট সমালোচক প্ৰহ্লাদ কুমাৰ বৰুৱাই মত দাঙি ধৰিছে। সি যি কি নহওক, আৱাহন যুগৰ অন্য গল্পকাৰসকলৰ দৰেই ৰমা দাশৰ গল্পত নৰ-নাৰীৰ প্ৰেমে এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল। প্ৰকৃততে ক'বলৈ গ'লে প্ৰেম আৰু সম্ভোগ-বাসনাই তেওঁৰ গল্পৰ প্ৰধান উপজীব্য আছিল।

সামাজিক সংস্কাৰৰ সকলো বন্ধনৰ পৰা মুক্ত হৈ কল্পিত বাতাৱৰণৰ মাজত হৃদয়ৰ জৈৱিক বাসনাৰ মুক্ত বিচৰণৰ মাদকতা তেওঁ যি ধৰণে গল্পসমূহত দাঙি ধৰিছে, সেই ধৰণে আন অসমীয়া গল্পকাৰে চিত্ৰিত কৰিব পৰা নাই। অৱশ্যে হলীৰাম ডেকাকে

প্রমুখ্য কৰি দুই-এজন গল্পকাৰৰ গল্পৰ দৰে দাশৰ গল্পত প্রেমৰ সূক্ষ্ম বিশ্লেষণ বা গভীৰতা দেখা নাযায়। তেনেদৰে লক্ষীধৰ শর্মাৰ গল্পত প্রেমৰ চিত্রণত যি বাতাৰৰণ সৃষ্টি কৰি স্বাভাৱিক ৰূপ প্রদান কৰা হৈছে, ৰমা দাশৰ গল্পত কিন্তু তেনেকুৱাকৈ পৰিৱেশ সৃষ্টি কৰা নাই। লক্ষ্মীধৰ শর্মাৰ গল্পত নায়কৰ স্মৃতিৰ পটত নগ্ন চিত্রবোৰ ধৰা দিছে আৰু নায়কৰ ভাববিলাস গ্রহণ কৰাৰ অনুকূল পৰিৱেশ সৃষ্টি কৰিছে। কিন্তু ৰমা দাশৰ গল্পত সচৰাচৰ বাস্তৱ পৰিবেশৰ মাজতে তাক দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। 'ব্যর্থতাৰ দান' গল্পত ললিতৰ প্রতি লিলিৰ আকর্ষণৰ মনোবৈজ্ঞানিক হেতু দাঙি ধৰা হৈছে। কিন্তু দাশৰ বহু গল্পত তেনে হেতু বিচাৰি পোৱা নাযায়। মুঠৰ ওপৰত, দাশৰ গল্পত প্রেম কেৱল জৈৱিক বাসনাৰ মূর্ত ৰূপ হৈ পৰিছে, গভীৰ প্রেমৰ চিত্রণ তাত নাই। এই প্রেম আৱেগসর্বস্ব হৈ পৰিছে আৰু গভীৰ জীৱনবোধৰ অভাৱো তাত দেখা যায়। সেয়ে গল্পসমূহত ৰস-সঞ্চাৰৰ ক্ষেত্রত ব্যাঘাত জন্মা দৃষ্টিগোচৰ হয়। এই প্রসঙ্গত বিশিষ্ট সমালোচক ত্রৈলোক্য নাথ গোস্বামীৰ মন্তব্য প্রণিধানযোগ্য— "যৌন ক্ষুধাৰ বিশ্লেষণতেই হওক নাইবা আন সুকুমাৰ অনুভূতিৰ বর্ণনাতেই হওক লেখাৰ মাজেদি এটা মহত্ত্ব ফুটাই তোলাৰ চেষ্টা নাথাকিলে ৰসসঞ্চাৰ সম্ভৱ নহয়। মানৱ মনৰ ৰতি ভাবক সাহিত্যৰ মাজেদি প্রকাশ কৰোঁতে সি আদি বা শৃঙ্গাৰ ৰসলৈ ৰূপান্তৰিত হয়। এইদৰে বাস্তৱ জীৱনৰ শোকৰ ছবি সাহিত্যত প্রতিফলিত হ'লে সি শোক নহৈ কৰুণ ৰস হৈ পৰে। ৰমা দাশৰ হাতত এইটো হোৱা নাই।"

দাশৰ গল্পত গভীৰ জীৱনবোধৰ অভাৱ দেখা যায়। জীৱন সম্পর্কে তেওঁৰ দৃষ্টিভঙ্গী অতি স্থূল আছিল। গতিকে, অতি ত্বৰাং জীৱনবোধেৰে লিখা গল্পসমূহ সকলো শ্রেণীৰ পাঠকক আকর্ষিত কৰিব পৰা নাছিল। কৈশোৰ-যৌৱনৰ দুৱাৰডলিত ভৰি দিয়া পাঠকেহে তেওঁৰ গল্পত বিশেষ আমেজ পোৱা দেখা যায়। সেয়ে, এসময়ত এই শ্রেণীৰ পাঠকে তেওঁৰ গল্পসমূহ গো-গ্রাসে গিলিছিল বুলি সমালোচকে ক'ব খোজে। মুঠতে, প্রেমৰ গল্প লেখক হিচাপে তেওঁ অসমীয়া সমাজত নামজ্বলা সাহিত্যিক আছিল।

চুটিগল্প শিল্পত বৈচিত্র্যময় মানৱ জীৱনৰ এটি দিশ, এটি অভিজ্ঞতা বা পৰিস্থিতিৰ ৰূপায়ণ কৰা হয়। কিন্তু দাশৰ গল্পত জীৱনৰ বৈচিত্র্যময় ৰূপৰ প্রকাশ ঘটা পৰিলক্ষিত নহয়। তেওঁৰ গল্পত জীৱনৰ বৈচিত্র্যৰ প্রকাশ প্রায় শূন্য বুলিয়ে ক'ব পাৰি। এক ধৰণৰ পৌনঃপৌনিকতাৰে তেওঁৰ গল্প ভাৰাক্রান্ত। একে ধৰণৰ নাৰী চৰিত্র আৰু প্রায় একেধৰণৰ সমস্যাই তেওঁৰ গল্পত স্থান পাইছে। বাসনাৰ সুতীব্র উন্মাদনাত আৱেগৰ বশৱর্তী হৈ নিজস্ব ব্যক্তিত্ব হেৰুৱাই পেলোৱা এক ধৰণৰ সাধাৰণ বৈশিষ্ট্যসম্পন্ন চৰিত্রই তেওঁৰ গল্পসমূহত পৌনঃপৌনিকতাৰ সৃষ্টি কৰিছে। এই প্রসঙ্গত ত্রৈলোক্য নাথ গোস্বামীৰ মন্তব্য মন কৰিবলগীয়া— "ভাল টেক্‌নিক হোৱা সত্ত্বেও আৰু ভাবৰ সংলগ্নতাৰ মাজতো ৰমা দাশৰ তিনিটা বা চাৰিটা গল্প একেলগে পঢ়িলে মনৰ ওপৰত অবর্ণনীয় অৱসাদৰ ছাঁ পৰি যায়, বোধহয় Satiety আহে।প্রায় একে ধৰণৰ বিষয়বস্তু

আৰু চৰিত্রই পাঠকৰ মনত অৱসাদৰ সৃষ্টি কৰে।"

ৰমা দাশৰ প্রকাশভঙ্গী শক্তিশালী আৰু ভাষা অলঙ্কাৰেৰে সমৃদ্ধ। জৈৱিক বাসনাৰ প্রবৃত্তিক সুতীব্র অনুভূতিৰে মাধুর্যময় ভাষাত আৰু অলংকাৰপূর্ণ কাব্যিকতাৰে আবেদনময় ৰূপত দাঙি ধৰিছে। কিন্তু নিজস্ব প্রকাশভঙ্গী যুক্ত হ'লেও দাশৰ গল্পৰ এটি অন্যতম দোষ হৈছে বহুবল্কিতা। তেনেদৰে ৰমা দাশৰ গল্পসমূহৰ বিশ্লেষণ কৰিলে দেখা যায়— তেওঁৰ গল্পৰ টেক্‌নিক অতি দুর্বল আৰু অসংযত। অৱশ্যে 'অবুজ মায়া', 'কোন এওঁ নতুন মিৰাণ্ডা' আদি দুই-এটা গল্পৰ টেক্‌নিক কিছু উন্নত হোৱা দেখা যায়। এনেবোৰ দোষৰ বাবে দাশৰ গল্প সুখপাঠ্য আৰু ৰসপূর্ণ হৈ উঠা দেখা নাযায়।

দাশৰ গল্পৰ পটভূমি আছিল আধুনিকতাৰ মোহপাশত বন্দী হোৱা মধ্যবিত্ত অসমীয়া সমাজখন। ভোগবাদী, অহংকেন্দ্রিক, আলস্য-বিলাসী অসমীয়া মধ্যবিত্তীয় সমাজখনৰ পটভূমিত ৰাখি একধৰণৰ নতুন নাৰীৰ উপস্থাপনেৰে তেওঁ গল্পসমূহ ৰচনা কৰিছিল। অসমীয়া সমাজত এনে ধৰণৰ নাৰী সাধাৰণতে দেখা নাযায়। দুই-তিনিটা সন্তানৰ মাতৃ হৈয়ো, দেহত যৌৱন মৰিও সিৰাই সিৰাই আজীৱন সেই চিৰ বাসনাৰ অন্তর্দাহ অনুভৱ কৰা নায়িকাই সমাজৰ নীতি-নিয়ম নামানি আদিম উন্মাদনাত পৰপুৰুষৰ সৈতে সম্ভোগ কার্যত উন্মত্ততা প্রকাশ কৰিছে। মধুমক্ষিকাৰ ভূমিকাত অৱতীর্ণ হোৱা পুৰুষ বা নায়ক চৰিত্রৰ কাম-তৃষ্ণা পূৰণ কৰাতেই যেন নায়িকাৰ মুখ্য কাম। এই নাৰী অলসায়িত দেহৰ আলস্যবিলাসী, আজীৱন তৃষ্ণাতুৰ নাৰী। বাসনাই তেওঁৰ গল্পৰ চৰিত্রসমূহক গ্রাস কৰি পেলাইছে, ব্যক্তিত্ব যেন লুপ্ত হৈ পৰিছে। অৱশ্যে হৃদয়ৰ কামনা-বাসনাযুক্ত গভীৰ ফালটোৰ প্রকাশ হোৱাত ফ্রয়ডীয় মনস্তত্ত্বৰ প্রতিফলন ঘটা পৰিলক্ষিত হয়।



অগ্রগতি নিৰীক্ষণ

২ নং প্রশ্ন ঃ ৰমা দাশৰ গল্পৰ মূল সুৰ কি, চমুকৈ লিখক। (150 টা শব্দৰ ভিতৰত)

৯.৪ 'অবুজ মায়া'

৯.৪.১ গল্পটোৰ মূল পাঠ

যেতিয়া ভৰ-দুপৰীয়া আমৰ তলে তলে, জামৰ তলে তলে ঘুৰি ফুৰাটোৱেই জীৱনৰ একমাত্র ডাঙৰ উত্তেজনা আছিল; যেতিয়া গড়খাৰৈত, বৰষুণৰ পানীত কাকতৰ সৰু নাওখনি সাজি উটুৱাই দিয়েই মহা উল্লাস আৰু আমোদ উপভোগ কৰিছিলোঁ, যেতিয়া ফৰিংফুটা জোনাক ৰাতি আকাশৰ চপৰা-চপৰি শুকুলা মেঘৰ গাত সঁচাকৈয়ে ঐৰাৱত হাতীৰ খোজ দেখিবলৈ পাইছিলোঁ— গল্পটো ঠিক সেই সময়ৰ আৰু মনৰ সেই আলসুৱা অৱস্থাৰ।

মোৰ এতিয়াও স্পষ্ট মনত আছে আমাৰ গুৱাহাটীৰ ঘৰৰ পাছফালে, লগালগিকৈ প্ৰকাণ্ড এখন আমৰ বাৰী আছিল। সেই আমৰ বাৰীখন পাৰ হৈ বাঁহ গছৰ তলেতলেসৰু লুংলুঙীয়া এটা বাটে কিছু দুৰ গৈ থাকিলেমান-কচু আৰু পানী-মেটেকাৰে ঢাক খাই থকা, এটা আধা-মৰা পুঁৱণিকলীয়া সৰু পুখুৰী পোৱা গৈছিল। সেই পুখুৰীটোৰ কাণে কাণে গৈ থাকিলে ৰেললাইনটো পোৱা যায়। সেই ৰেললাইনটোৰ সিকাষেই আকৌ বৰ দীঘল এখন পাণ-তামোলৰ বাৰী। সেই বাৰীৰ দাঁতিতে আধা-টিনৰ আৰু আধা-খেৰৰ এটি সৰু জুপুৰি ঘৰ। সেই ঘৰটিৰ চোতালতে বৰ ৰঙাকৈ পকা এজোপা ডালিম গছৰ তলত, আমি তেতিয়া সেউতী বাই বোলা এগৰাকী মানুহক সদায় বৰ মন দি, তলমুৰকৈ কাপোৰ বৈ থকা দেখিবলৈ পাইছিলোঁ। সেইদিনত দিনটোৰ সকলো ফূৰ্তি আৰু আমোদৰ, সেই সেউতী বাইৰ ঘৰৰ চোতালখনেই আমাৰ এটি প্ৰধান গোপনীয় আড্ডাৰ দৰে আছিল।

মোৰ এতিয়াও স্পষ্ট মনত পৰে, আমি যেতিয়া দুপৰীয়া হাফ্‌পেণ্টৰ জেপে জেপে ছুৰী-কটাৰী আৰু নিমখৰ টোপোলা লৈ, গছৰ তলে তলে কেঁচা আম-কলি আৰু কৰ্জা-টেঙা বিচাৰি ওলাইছিলোঁ, তেতিয়া সেই সেউতী বাইৰ চোতালতে থকা ডালিম গাছ জোপাৰ তলত, আমাৰ দীঘলীয়া অভিযানৰ সদায় অন্ত পৰিছিলহি। আৰু আমি সেই ডালিম গছ জোপাৰ তলতে পৰি থকা ডাঙৰ শিলবোৰৰ ওপৰত বহি লৈ আমাৰ নিজৰ নিজৰ হাতৰ আৰু জেপৰ সামগ্ৰীবোৰ উলিয়াই লৈ, মহা আনন্দেৰে ভগাই জগাই টপালি টপালি খোৱাত লাগি গৈছিলোঁ।

আমাক সেইদৰে দলে-বলে উপস্থিত হোৱা যেন দেখিলেই সেউতী বায়ে সদায় তেওঁৰ তাঁতশালৰপৰা উঠি আহিছিল আৰু আমাৰ লগত যোগ দি ঠিক আমাৰ সমনীয়া এজন সৰু ল'ৰাৰ দৰেই হাঁহি-ধেমালি কৰি তেওঁ নিজৰ ভাগৰ আম-কলি আৰু কৰ্জা-টেঙা হাত পাতি আমাৰ হাতৰপৰা খুজি নিছিল।

আমাৰ লগত ইমান বেছিকৈ মিলিছিল কাৰণেই বোধ কৰো সেই দিনত সেউতী বাইক আমি আটায়ে বৰ ভাল পাইছিলোঁ। সেউতী বাইৰ আগত আমাৰ দুখ-সুখৰ সকলো কথা পাতিছিলোঁ আৰু আন কি সেউতী বাইক শুনাই শুনাই কেতিয়াবা প্ৰবোধো দিছিলোঁ যে সেউতী বাইৰ ঘৰখন যদি উদং নহৈ তাত আমাৰ সমনীয়া এটি সৰু ল'ৰা থাকিলেহেঁতেন, তেনেহ'লে আমি তাকেই আমাৰ দলৰ ৰজা পাতি চাৰিওপিনে ফুৰাই লৈ ফুৰিলোহেঁতেন আৰু আটায়ে উৰাই-ঘুৰাই মৰম কৰিলোঁহেঁতেন।

কিন্তু তেনেকৈ ক'লেও আমি সেই দিনতেই কেনেবাকৈ সেই কথা অনুভৰ কৰিছিলোঁ যে সেউতী বাইৰ ঘৰখন কিবা এটি কাৰণে নিচেই উৰুঙা আছিল। আৰু সেই ঘৰত, সেউতী বাইৰ বাহিৰে আৰু অইন জন-প্ৰাণী কোনো থকাৰ সম্ভাৱনা নাছিল। দিনৰ দিনটো, আমি দেখাত, সেই ঘৰলৈ কেতিয়াও কোনো মানুহ ফুৰিবলৈ নাহিছিল। আৰু কেতিয়াবা আমি যাব খুজিলেও সকলোৰে চকু এৰাই, লুকাই চুৰকৈ, গা ঢাকিহে

কোনোমতে পলাই যাব পাৰিছিলোঁ।

তেনে এটি বাধাৰ কাৰণেই বোধ কৰোঁ সেউতী বায়ে আমাৰ লগত মিলোঁতে সদায় অলপ সঙ্কোচে আঁতৰে আঁতৰে ব্যৱধান ৰাখি মিলিবলৈ যত্ন কৰিছিল। আমি বিচাৰিলেও তেওঁ কেতিয়াও আমাৰ লগত একেলগে আহি বহি কথা নাপাতিছিল। নাইবা ধেমালিতে কেতিয়াও আমাৰ গাত হাত দি, আনন্দতে হলি-গলি নকৰিছিল। আৰু আমি খুজিলেও তেওঁৰ পাকঘৰৰপৰা উলিয়াই নিমখ নাইবা অইন কোনো বস্তুকেই আমাক খাবলৈ নিদিছিল। আনকি কেতিয়াবা পিয়াহত পানী বিচাৰিলেও, চোতালৰ কুঁৱাটোৰপৰা পানী তুলি দি সেই পানী বাল্টিৰ কাণেৰে আমাৰ হাতৰ তলুৱাৰ ওপৰত ওপৰৰপৰা বাকি দিছিল।

সেউতী বাইৰ মৰমখিনি, এইদৰে অলপ আঁতৰে আঁতৰে পাইছিলো কাৰণেই বোধ কৰোঁ সেউতী বাইৰ প্রতি আমাৰ সকলোৰ কিবা এটি অদ্ভুত টান আছিল। আৰু আমি হেজাৰ মাৰ-ধৰ গালি-শপনি খায়ো, দিনটোৰ ভিতৰত এবাৰ নহয় এবাৰ তেওঁৰ ওচৰলৈ যাবলৈ অশেষ চেষ্টা কৰিছিলোঁ আৰু মই হ'লে ৰাতিও কেতিয়াবা বিচনাত শুই শুই ভাবিছিলোঁ যে সেউতী বাইৰ মাত-কথা আৰু চকুহাল যেনে মৰম-সনা, কেতিয়াবা তেওঁৰ বুকুৰ মাজত শুবলৈ পো�ৰাহেঁতেন বোধ কৰোঁ আইতাৰ বুকুৰ মাজত শোৱাতকৈও আৰু বেছি ভাল লাগিলহেঁতেন। কিন্তু সেইদৰে ভাবিলেও সেই কথা মই তেতিয়াই উপলব্ধি কৰিছিলোঁ যে আমাৰ ঘৰবোৰত যিমান দিনলৈ মা-দেউতা বা আইতাহঁত থাকে, সিমান দিনলৈ কেতিয়াও তেনে এটি কথা হোৱাৰ কোনো সম্ভাৱনাই নাছিল।

এদিন ভৰ-দুপৰীয়া।

মোৰ এতিয়াও ধুনীয়াকৈ মনত পৰে। মই অকলে অকলে আমাৰ বাৰীৰ মাজে মাজে বোধ কৰোঁ মুগা নেউল এটা দলিয়াই দলিয়াই পিছে পিছে খেদি আহিছিলোঁ ৰেলৰ লাইনটোলৈ।

এনেকৈ কেতিয়া যে ৰেলৰ লাইন পাৰ হৈ সেউতী বাইৰ ঘৰৰ ওচৰৰ সেই পাণ-তামোলৰ বাৰীখন পালোঁগৈ মই ক'ব নোৱাৰোঁ।

দুৰৰপৰাই তাৰে তামোল গছ এজোপাৰ আঁৰ লৈ মই মনে মনে সেউতী বাইৰ তাঁত-শালৰ ফালে একেথৰে চাই আছিলোঁ। দেখিলো সেউতী বায়ে আনকালৰ দৰে সিদিনাও তলমুৰ কৰি একান্তমনে বোধ কৰোঁ তেওঁৰ তাঁতৰ কাপোৰৰ ওপৰত বাঁহৰ সৰু সৰু ছিৰিৰে আচুঁ-সুতাৰ ডাঙৰ ডাঙৰ ৰঙা ফুল বাছি আছিল। আৰু সেই সুতাৰ ৰঙা বোলখিনি তেওঁৰ মুখত পৰি, সিদিনা মুখখন আৰু বেছি ধুনীয়া হৈ উঠিছিল।

এইদৰেই কিবা এটি এৰাব নোৱাৰা মায়াত পৰি, মই তামোল গছজোপাৰ আঁৰৰ পৰাই মনে মনে সেউতী বাইৰ মুখ খনিলৈ ৰ লাগি চাই আছিলোঁ। এনেতে সেই মুখখনিৰপৰা মোৰ চকু দুটা হঠাতে এবেলি যেন সেউতী বাইৰ ঘৰৰ পিৰালিৰ ফালে আঁতৰি গ'ল। আৰু সেই পিৰালিৰ ওপৰত এটা নহয় চাৰিটাকৈ ধুনীয়া ধুনীয়া মেকুৰী

পোৱালী ঘুৰা ফুৰা দেখি মই হঠাতে সকলো পাহৰি লৰ মাৰি সেইখিনি পালোঁগৈ। আৰু তাৰে সবাতোকৈ ধুনীয়া ফুট্‌ফুটীয়া বগা পোৱালীটো বুকুত সাৱটি লৈ সেউতী বাইৰ ওচৰলৈ দৌৰি আহি সেউতি বাইক মাতি ক'লোঁ, "সেউতী বাই, সেউতী বাই, তোমাৰ এই মেকুৰী পোৱালিটো মই নিম দেই।"

ইমান অকস্মাতে বোধকৰোঁ মোৰ সেই মাতযাৰ শুনি, সেউতী বাই তেনেই আচৰিত হৈ গ'ল আৰু মোৰ লগত ধেমালি কৰিবৰ কাৰণেই হ'বলা, মোৰ চকুলৈ চাই হাঁহি এটা মাৰি ক'লে, "সোণ, সেই মেকুৰী পোৱালিটো মই তোমাক কেতিয়াও দিব নোৱাৰোঁ।"

মই আচৰিত হৈ সুধিলোঁ, "সেউতী বাই, কেলেই?"

সেউতী বায়ে হাঁহি হাঁহি ক'লে, "সোণ, সেই মেকুৰী পোৱালিটো মই মুকুটক দিম বুলি আগতেই কথা দি থৈছোঁ।"

সেউতী বাইৰ কথাৰ প্ৰচ্ছন্ন ধেমালিটো মই তেতিয়াও সমূলি ধৰিব নোৱাৰিলোঁ, সেয়ে অন্তৰত এটি দাৰুণ আঘাত পোৱাৰ দৰেই চলচলীয়া চকুৰে সেউতী বাইৰ মুখলৈ চাই ক'লোঁ, "সেউতী বাই, তুমি যদি স'চাকৈ দিওঁ বুলি মুকুটক আগতে কথা দি থৈছা, তেনেহ'লে তাকেই দিব পাৰা। কিন্তু মই ভাবোঁ, মুকুটে নাপাই সেই পোৱালিটো মইহে পোৱা উচিত আছিল। কিয়নো, মুকুট নাইবা আমাৰ দলৰ আন সকলো ল'ৰাতকৈ, মই ডাঠি ক'ব পাৰোঁ, মইহে তোমাক বেছি ভাল পাওঁ। আৰু পাওঁ কাৰণেই আইতাৰ মাৰ-কিল আৰু গালি-শপনি খায়ো তোমাক সদায় এইদৰে দিনটোত এবেলি নহয় এবেলি দেখা দি যাওঁহি।"

মোৰ সৰলতা ভৰা অন্তৰৰ এই অতি প্ৰগাঢ় কথাখিনি শুনি সেউতী বায়ে বোধকৰোঁ বেছি পৰ থিৰেৰে থাকিব নোৱাৰিলে। তেওঁ তাঁত-শালৰ পৰা উঠি আহি, তেওঁৰ ওচৰলৈ মোক চপাই নি তেওঁৰ কোলাত মোক সুমুৱাই লৈ, অতি মৰমেৰে মুৰৰ চুলিখিনি পিহি দি দি ক'বলৈ ধৰিলে, "সোণ, সেই কথাটো মই ভালকৈ জানো। আৰু জানো কাৰণেই তোমাৰ লগত এইখিনি ধেমালি কৰিছিলোঁ। মই এই মেকুৰী পোৱালিটো মুকুট নাইবা আন কাকো নিদিওঁ। তোমাকেই দিম বুলি আগতেই বাছি থৈছোঁ। তাই অলপমান ডাঙৰ হ'লেই মাকৰ পিয়াহ এৰিলেই তুমি এদিন আহি লৈ যাবাহি।"

সেউতী বাইৰ হাতৰ আৰু কোলাৰ এই প্ৰথম পৰশ পাই মোৰ সৰু অন্তৰখন সিদিনা আনন্দত একেবাৰে অধীৰ হৈ উথলি উঠিল। তাৰ পিছত মই যেন আৰু এক দণ্ডও তাত ৰ'ব নোৱাৰি কেৱল এটি নুবুজা উন্মাদনাত আকৌ ঘৰৰ অভিমুখে উৰ্ধ্বশ্বাসে দৌৰিবলৈ ধৰিলোঁ।

এইদৰে দৌৰি আহি আমাৰ চোতালৰ মুৰতে আইতাক পাই, কিয় জানো ক'ব নোৱাৰাকৈয়ে মই তেওঁক জোৰেৰে বুকুত সাৱটি ধৰিলোঁ। আৰু কিবা এটা উচ্ছাসত যেন অকস্মাতে নিৰ্বোধৰ দৰে কৈ পেলালোঁ, "আইতা, আইতা, তোমাক মই আজি

এটা কথা কম, শুনিবা দেই।"

মই ইমান উচ্ছ্বাসেৰে ক'বলৈ বিচৰা দেখি আইতাই বোধকৰোঁ কিবা এটি সন্দেহ কৰিলে আৰু সেই সন্দেহত তৎক্ষণাৎ মোৰ চকুলো পোন্দোৱাকৈ চাই অতি খঙেৰে সুধিলে, "সোণ, মই নিশ্চয় জানো, তই আজি কিবা এটা ডাঙৰ জগৰ লগাই এইদৰে ঘৰলৈ দৌৰি আহিছা।"

মই আৰু কথাটো বেছিপৰ লুকাবলৈ চেষ্টা নকৰি, হঠাতে কৈ পেলালোঁ, "আইতা, তুমি সন্দেহ নকৰিবা। মই অইন কোনো ডাঙৰ জগৰ লগাই অহা নাই। কেৱল ভুলতে গৈ গৈ সেউতী বাইৰ ঘৰৰ ওচৰ পাইছিলোঁ। দুৱৰপৰাই চাই দেখিলোঁ, তেওঁৰ ঘৰৰ পিৰালিতে চাৰিটা ধুনীয়া ধুনীয়া মেকুৰী পোৱালি ধেমালি কৰি ফুৰি আছে। তাৰে আটাইতকৈ বেছি ধুনীয়া বগা ফুটফুটীয়া মেকুৰী পোৱালিটো তেওঁ মোক দিম বুলিছে। মই পোৱলিটো আমাৰ ঘৰত পুহিবলৈ আনিম দেই!"

ইমান আৱেগেৰে কোৱা সত্ত্বেও আইতাই মোৰ অন্তৰৰ আকুলতাখিনি বুজিবলৈ অকণো চেষ্টা নকৰিলে, বৰং অতি কুৎসিত নির্মম এটি আক্লোশত, মোক হাতত ধৰি চোঁচোৰাই টানি, তেওঁৰ তাঁতশালৰ খুঁটা এটাতে জৰীৰে টানি টানি বান্ধি লৈ, এছাৰি এডালেৰে অতি নিষ্ঠুৰভাৱে কোবাবলৈ ধৰিলে।

নেজানো কেলেই আইতাৰ সেইঅন্যায় শাসন আৰু অকাৰণ আক্রোশৰ বিৰুদ্ধে মোৰ শিশু-মনটোৱে সিদিনা অতি দুর্ঘোৰ প্রতিবাদ কৰি উঠিল। আৰু সেই চেঙালুটি-পৰা পিঠিত নির্মম কোববোৰ খায়ো মই খঙত কেৱল চিঞৰি চিঞৰি ক'বলৈ ধৰিলোঁ, "আইতা, আইতা, ই তোমাৰ অন্যায়। ই তোমাৰ ভুল! সেউতী বাইৰ গাত কোনো দোষ নাই! তুমি নাজানা সেউতী বাই অতি ভাল মানুহ! তুমি মোক হাজাৰ মাৰিলেও, কোবালেও মই সেউতী বাইৰ তালৈ যামেই। সেউতী বাইক ভাল পামেই..."

মোৰ মুখৰ বোধ কৰোঁ এই ভীতিপূর্ণ কথাবোৰ শুনিয়েই, আইতাই সিদিনাৰপৰা মোৰ পহৰাত আৰু বেছি সতর্ক হৈ পৰিল। আৰু মই বাৰীৰ মাজেৰে সেউতী বাইৰ ঘৰৰ ফালৈ লুকাই-চুৰকৈ যাব পৰা মোৰ সম্ভাব্য-অসম্ভাব্য সকলো বাট-পথকেই একেবাৰে বন্ধ কৰি দিলে।

লাভৰ ভিতৰত, সিদিনাৰপৰা ঘৰৰ ভিতৰতেই মই একপ্রকাৰ এটি অন্তৰীণ বন্দী-জীৱন যাপন কৰিবলৈ ধৰিলোঁ।

মোৰ চিন্তা হ'ল কেৱল দুটা।

কেনেকৈ সেউতী বাইৰ ঘৰৰ লগত মোৰ আগৰ সেই সংযোগটো পুনৰ স্থাপিত কৰিব পৰা যায়, কেনেকৈ তেওঁ দিব খোজা সেই মেকুৰী-পোৱালিটো পোহাৰ কাৰণে এদিন গৈ তেওঁৰ তাৰপৰা আনিব পৰা যায়!

এইদৰে ভাবোঁতে ভাবোঁতে হঠাতে এদিন এটা নতুন উপায় মোৰ মগজুৰ মাজেদি বিজুলীয়াই গ'ল।

মই ভাবি পালোঁ যে সেউতী বাইৰঘৰৰ লগত আগৰ সেই সম্বন্ধ স্থাপন কৰাটো,

নাইবা তেওঁ দিব খোজা সেই মেকুৰী-পোৱালিটো আমাৰ ঘৰলৈ অনাটো হয়তো আৰু কোনো দিনেই সম্ভৱপৰ নহ'বও পাৰে। কিন্তু কেনেবাকৈ যদি এদিন গৈ সেই মেকুৰী-পোৱালীটো আনি মই মুকুটক দিব পাৰোঁ, তেনেহ'লে তাত আৰু কোনো বাধা নাই। আৰু হয়তো তেনে কৰিলে আইতাই কোনো দিনেই আচল কথাটোৰ একো সন্ধেদ নাপাবও পাৰে।

মই যিমানেই এই কথাটো ভাবিবলৈ ধৰিলোঁ, সিমানেই কেনেবাকৈ এদিন পলাই সেউতী বাইৰ ঘৰলৈ যোৱাৰ কাৰণে মোৰ মনটো উত্ৰাৱল হৈ পৰিল। আৰু মই অধৈর্য হৈ দিনে-নিশাই কৰল তাৰেই সুযোগ অন্বেষণ কৰিবলৈ ধৰিলোঁ।

এদিন হঠাতে দুপৰীয়া সেই সুযোগ আহি পৰিল। সিদিনা আইতাৰ শাসনৰ আৰু শেন-দৃষ্টিৰ কিছু যেন শিথিলতা দেখি মই আকৌ বাৰীৰ ভিতৰত সোমাই পৰিলোঁ। আৰু ঠিক যেন বন্দী হোৱা জন্তু এটাৰ দৰেই ইপিনে সিপিনে খুন্দিয়াই, বাট বিচাৰি সীমাৰ ওখ ছফুট চকোৱা আৰু নানা হেঙাৰ অতিক্রম কৰিও কেনেবাকৈ সেউতী বাইৰ ঘৰৰ ওচৰৰ সেই পাণ-তামোলৰ বাৰীখন পালোঁগৈ আৰু তাৰ পৰা কৰল ঊর্ধ্বশ্বাসে দৌৰিবলৈ ধৰিলোঁ।

ইমান দিনৰ এই বাধা আৰু নিষ্পেষণত বোধকৰোঁ মোৰ অন্তৰৰ আবেগটো সিদিনা আৰু বেছিকৈ উদ্বেলিত আছিল। গতিকে সেউতী বাইৰ ওচৰ পায়েই, তেওঁক চোতালতে যঁতৰ এটা লৈ মহৰা ফুৰাই থকা দেখিয়েই, মই আৰু ৰৈ থাকিব নোৱাৰিলোঁ; একেবাৰে পিছপিনৰ পৰা গৈ, তেওঁৰ ডিঙিত ভালকৈ সাৱটি মাৰি ধৰি, তেওঁৰ মুৰৰ চুলিখিনিৰ মাজত মুখখন লুকাই লৈ কৰল হুক্ হুক্কৈ কান্দিবলৈ ধৰিলোঁ।

মোক সেইদৰে কন্দা দেখি বোধকৰোঁ সেউতী বায়ে অন্তৰত দাৰুণ এটি আঘাত পালে, আৰু লাহেকৈ মোৰ হাতখনত ধৰি, কোলাৰ ওচৰলৈ টানি আনি, অতি মৰমেৰে বহুৱাই লৈ, লাহে লাহে সুধিবলৈ ধৰিলে, "সোণ তুমি আজি এইদৰে কান্দিছা কেলেই?"

সেউতী বাইৰ মৰম-সনা সেই মাতৰ পৰশত মোৰ বোধ কৰোঁ অন্তৰৰ সকলো বেথা একেবাৰে পাৰ ভাঙি নামি আহিল আৰু মই সেইদৰেই তেওঁৰ বুকুত মুখখন থৈ, হঠাতে এবেলি সুধি পেলালোঁ, "সেউতী বাই, সেউতী বাই, তোমাৰ ইয়ালৈ আহিবলৈ ওলালে আইতাই মোক এইদৰে বাধা দিয়ে কেলৈ?"

সেউতী বায়ে মোৰ এই আকস্মিক প্রশ্নটো শুনি কিছু পৰ থৰ হৈ ৰ'ল আৰু একো নোকোৱাকৈ মোৰ মুখৰ পিনে ৰ লাগি চাই থাকি, অতি বেদনা-বিদ্ধৰ দৰে দুটি চল্চলীয়া চকুৰে ক'বলৈ ধৰিলে, "মই যে সমাজৰপৰা বহিষ্কৃতা, সোণ! সেই কাৰণে..."

সেউতী বায়ে কি ক'লে কথাষাৰৰ কোনো অর্থ বুজি নাপাই, মই আকৌ এবেলি তেওঁক সুধিলোঁ, "সেউতী বাই, তেনেহ'লে তোমাৰ ইয়ালৈ অহাটো আইতাই কোৱামতে আমাৰ অন্যায়?"

সেউতী বায়ে মোৰ প্রশ্নটো শুনি বোধকৰোঁ আৰু বেছি আড়ষ্ট হৈ পৰিল।

আৰু কিছু পৰ সেইদৰে থৰ হৈ থাকি, মুক্ত আকাশৰপিনে এটি হুমুনিয়াহ পেলাই, মোৰ চকুলৈ নোচোৱাকৈ কাণৰ ওচৰত অতি লাহে লাহেকৈ ক'বলৈ ধৰিলে, "অকল অন্যায়েই নহয় সোণ! মোৰ ইয়ালৈ আহিলে মানুহৰ পাপ লাগে; সিহঁতৰ জাতি যায়, ধর্ম যায়। আৰু বোধ কৰোঁ ইহকাল পৰকালো নষ্ট হয়। কিন্তু মই ক'ব পাৰোঁ, সেইবোৰ কেৱল বয়সত ডাঙৰ আৰু বুজন মানুহৰ কাৰণেই। তোমাৰ দৰে যদি অবুজন শিশু এটাই আহি এইদৰে মোৰ শুকান বুকুখনত কেতিয়াবা এখন্তেক সোমাই, দুদণ্ডৰ কাৰণে অলপ আনন্দ দি যায়, তেনেহ'লে তাৰ পাপ লাগে নে নালাগে সেই কথা মই ক'ব নোৱাৰোঁ। সেইকথা কেৱল একমাত্র অন্তর্যামী ভগৱানেহে জানে।"

কথাখিনি কৈ, যেন অতি ভয় পোৱাৰ দৰেই সেউতী বায়ে লাহে লাহে তেওঁৰ কোলাৰপৰা মোক মাটিত নমাই থ'লে, আৰু নিজেও লগে লগে থিয় হৈ লৈ, তেওঁৰ ৰিহাৰ আঁচলেৰে গিৰগিৰাই বৈ অহা দুয়োটি চকুৰ পানীবোৰ মচিবলৈ ধৰিলে।

সেউতী বাইৰ চকুত জীৱনত এই প্রথমবাৰলৈ চকু-পানীবোৰ দেখি, মোৰ যেন মনটোত কিবা এটা খেলি-মেলি লাগি পৰিল। আৰু কেনেকৈ সেই অস্বস্তিকৰ পৰিস্থিতিৰপৰা ওলাই আহিব পৰা যায়, মই কেৱল তাৰেই পথ বিচাৰিবলৈ ধৰিলোঁ।

আচৰিত কথা, ইয়াৰ পিছত মোক ৰখোৱাৰ কাৰণে সেউতী বায়েও আৰু কোনো প্রয়াস নকৰিলে। গতিকে মেকুৰী পোৱালিটোৰ বিষয়ে যিষাৰ কথা তেওঁক কওঁ বুলি মই ইমান উদ্বাউল হৈ দৌৰি গৈছিলোঁ সেইষাৰ কথা মনৰ ভিতৰতে লৈ মই আকৌ উলটি আহিবলৈ বাধ্য হলোঁ।

বোধকৰোঁ মনৰ এনেকুৱা এটি নিদাৰুণ অৱস্থাৰ মাজেৰেই মই দকৈ কিবা ভাবি ভাবি সেই ভৰ-দুপৰৰীয়া নিজান বাৰীৰ মাজে মাজে আমাৰ ঘৰৰ ফালৈ উভতি আহি আছিলোঁ।

এনেতে সেই মৰা পুখুৰীটোৰ পাৰতে,হঠাতে এটা বৰ ডাঙৰ দুর্ঘটনা হৈ গ'ল।

পুখুৰীটো পাৰ হৈ, বাঁহৰ তলে তলে যোৱা, সেই লুংলঙীয়া বাটটোৰে আধামান পাওঁতেই, মই হঠাতে বাঁহৰ জোপোহা এটিৰ মাজৰপৰা ওলাই অহা,কিবা অদ্ভুত ক'লা-ম'লা বস্তু এটি দেখিবলৈপালোঁ।আৰু বস্তুটি কি একো ধৰিব নোৱাৰি, আতঙ্কত এবেলি একেবাৰে গগণ-ফলা এটা চিঞৰ লগাই দিলোঁ।

সেই চিঞৰৰ লগে লগে মোৰ ডিঙিৰ ভিতৰখন একেবাৰে কর্কৰীয়া শুকান হৈ আহিল,আৰু মোৰ হাত-ভৰিবোৰ ভয় আৰু ভাগৰত তেনেই অৱশ হৈ কঁপিবলৈ ধৰিলে।

মই তথাপি কোনোমতে অ'ত-ত'ত ধৰি, চুঁচৰি চুঁচৰি আমাৰ পাছফালৰ, চোতালখনৰ মুখটো পালোঁহি।আৰু তাতেই আইতাই মোলৈ চাই ৰৈ থকা যেন দেখি, তেওঁৰ ভৰি দুখনতে অসহায় ভাৱে সাৱটি ধৰি মাটিত ধাচ্ কৰে বাগৰি পৰি গ'লোঁ।

ইয়াৰ পিছত আৰু কি হ'ল, মোৰ মনত নাই।

মই যেতিয়া আকৌ এবেলি ন-কৈ সংজ্ঞা ফিৰাই পালোঁ, দেখিলোঁ মই আমাৰ

ঘৰৰ ভিতৰতে আইতাৰ বিছনাৰ ওপৰত তেনেই অৱশ হৈ পৰি আছোঁ। আমাৰ ঘৰৰ আটায়ে আগুৰি ধৰি, বৰ গম্ভীৰ মুখএকোখন লৈ মোৰ মুখলে চাই আছে।আৰু আইতাই, তেতিয়াও মোৰ মুৰৰ ওপৰত জোলোকা জোলোকে ভৰা কলহৰ পানী দি ক'বলৈ ধৰিছে, "সোণ, হ' ভৰা কলহৰ আৰু অলপমান পানী মুৰত ল। মই এই ভৰা কলহৰ পানীৰ লগত তোৰ মুখত কলা-খাৰ অকণমান সুমুৱাই দিছোঁ। খালেই তই গাটো অলপ ভাল যেন পাবি।"

"মই এতিয়াই মালিনী বুঢ়ীৰ তালৈ গৈ, তাইৰ হতুৱাই জৰী এডাল বটাই আনি তোৰ বাউসিত বান্ধি দিম।"

"কিমান দিন তোক মই ক'লোঁ, ভৰ দুপৰীয়াখন চঁক খাবলৈ বাৰীৰ মাজলৈ নেযাবি বুলি। তথাপি যদি মোৰ মুৰটো খাবলৈ কথাবোৰ শুনিলি!"

"মই ঠিক বুজি পাইছোঁ, সেউতী মৰঁতীয়ে তোক কিবা আহুদি কৰিলে বুলি। কিন্তু ময়ো যদি স'চাকৈ তোৰ বুঢ়িমাৰ হওঁ, তাই বেটীকো মই এসেকা দিহে এৰিম।"

"বেটী! কলঙ্কিনী, কুলটা! সমাজৰ আৱর্জনা! লোকৰ ঘৰৰ ল'ৰাৰ ওপৰত তাই এইদৰে চকু দিয়ে কেলৈ? তাইৰ যদি ঘৰ-সংসাৰ কৰিবলৈকে ইমান হাবিয়াহ আছিল, নিজৰ গাটো সেইদৰে ছুৰা খেদাইছিল কেলৈ? দেশততো এতিয়াও ৰজা বা আইন-কানুন নোহোৱা হোৱা নাই? মই ঠিক বুজিব পাৰিছোঁ, এই ভদ্ৰ-পাৰাখনৰ ইমান ওচৰত তাইক সেইদৰে কেতিয়াও থাকিবলৈ দিব নোৱাৰি।"

"তই অকণমান ভাল হৈ ল। মই তাইৰ বিৰুদ্ধে এদিন গৈ কাছাৰীত গোচৰ দি আহিম। পুলিচ মতাই অনাম। কোনোৱে যদি একো নকৰে, মই গুণ্ডা লগাই দি তাইৰ ঘৰ-দুৱাৰবোৰ ভঙাই পেলাম। মুঠৰ ওপৰত, মই থাকোঁ মানে, কেতিয়াও এই কণ কণ ল'ৰাগালৰ মুৰবোৰ, এইদৰে তাইক খাবলৈ দিব নোৱাৰোঁ।"

আইতাৰ সেই হুম-হুমনি আৰু আস্ফালনবোৰশুনিও মই সিদিনা মুখেৰে হেজাৰ চেষ্টা কৰিও আৰু একো মাতিব নোৱাৰিলোঁ। কিয়নো সেই আতঙ্কৰ গভীৰ অৱসাদৰ লগে লগে সিদিনা গধূলিৰ পৰাই, মোৰ হাত-ভৰিবোৰ ক্ৰমে চেঁচা পৰি, মুৰত তীৰ কঁপে জ্বৰ উঠি আহিল। আৰু সেই জ্বৰেই শেষত একেবাৰে সন্নিপাততে পৰিণত হৈ মোক প্ৰায় এমাহৰ কাৰণে বিছনাত তেনেই অজ্ঞানকৈ পেলাই থ'লে।

এই অসুখত প্ৰায় চাৰি সপ্তাহ ভুগি, মই এদিন যেতিয়া অলপ সুস্থ হৈ বিছনাত উঠি বহিলোঁ, দেখিলোঁ মোৰ চাৰিওকাষৰ পৃথিৱীখন যেন তেনেই সলনি হৈ গৈছে।

মা, দেউতা, আইতা, আন কি মোৰ লগৰ বন্ধু-বান্ধৱসকলৰ মুখতো, আগৰ সেই উচ্ছাস আৰু উদ্দীপনা যেন অকণো নাই। সকলোৰে মুখবোৰ অতি অসম্ভৱ ৰূপে শুকান, আন্ধাৰ আৰু গম্ভীৰ।

মই সেই গম্ভীৰতা দেখিয়েই নিজৰ মনৰ ভিতৰতে নানা কথা কল্পনা কৰি লৈ, সিদিনা মোৰ বন্ধু মুকুটক বিছনাৰ তেনেই ওচৰতে পাই, হঠাতেসুধি পেলালোঁ, "মুকুট,

তহ'তে আগৰ দৰে মোৰ লগত কথা নাপাত কেলৈ?"

মুকুটে ইফালে সিফালে চাই অলপ সতর্ক হৈ লৈ ক'লে, "সোণ, তই ক'ব নোৱাৰ, বোধ কৰোঁ তোৰ বৰ টান নৰিয়া হৈছিল। এই নৰিয়া হোৱাৰ কাৰণেই তোৰ ওচৰলৈ আমাক ইমান দিনে কাকো আহিবলৈ দিয়া নাছিল। এতিয়াহে অলপ সকাহ পোৱা দেখি আমি দুখোজ এখোজকৈ ওচৰ চাপি আহিবলৈ আৰম্ভ কৰিছোঁ।"

মুকুটক গাৰ ইমান ওচৰতে পাই, সংজ্ঞা পোৱাৰপৰাই ইমান দিনে যিটো কথা জানিবলৈ মই অতি ব্যগ্র হৈ আছিলোঁ, সেই কথাটোক হঠাতে সুধি পেলালোঁ, "মুকুট, তহ'তে সেউতী বাইৰ কথা কিবা ক'ব পাৰ জানো?"

মুকুটে প্রশ্নটো শুনি অতি গম্ভীৰভাৱে চাৰিওফালে এবাৰ আকৌ চাই লৈ মোৰ বিছনাৰ নিচেই ওচৰলৈ আহি অতি লাহে লাহে ক'লে, "সোণ, ক'বলৈ গ'লে সি বহু কথা। তোক আটাইখিনি বোধকৰোঁ আজি ক'ব নোৱাৰিম। তাতে তই গাটো এতিয়াও একেবাৰে ভাল পোৱা নাই। তই গা টঙাই আৰু অলপ সবল হৈ উঠ, মই এদিন মনে মনে আহি তোক গোটেই কথাবোৰ কৈ যাম।"

মুকুটৰ সেই কথা শুনি, মই অতি অধৈর্যভাৱে তাৰ হাতখনত খামুচি ধৰি মোৰ বিছনাৰ একেবাৰে কাষলৈ টানি আনি ক'লোঁ, "মুকুট, মই এই দুর্বল দেহাৰে ইমান দিন কেতিয়াও বাট চাব নোৱাৰিম। তই আজিয়েই মোক অলপ কৈ যা, সেউতী বাই আছে নে নাই? কিয় জানো মোৰ মনতে এটা বৰ ডাঙৰ দুশ্চিন্তা হৈছে, তেখেতৰ কিবা দুর্ঘটনা হোৱা বুলি।"

মুকুটে মোৰ অনুৰোধ এৰাব নোৱাৰি মোৰ বিছনাতে বহি লৈ অতি সতর্কভাৱে, একেবাৰে সৰু সৰু মাতেৰে ক'বলৈ ধৰিলে, "সোণ, তই ঠিকেই অনুমান কৰিছ। সেউতী বাইৰ সঁচাকৈ এটি বৰ ডাঙৰ দুর্ঘটনা হৈছে! তেখেত আৰু এই পৃথিৱীত নাই।"

"নাই? ক'লৈ গ'ল?"

"ক'লৈ গ'ল সেই কথা তোক মই ক'ব নোৱাৰোঁ। মুঠৰ ওপৰত তেওঁৰ মৃত্যু হৈছে।"

"মৃত্যু হৈছে!"

"মৃত্যু হোৱা বুলিও ঠিক ক'ব নোৱাৰোঁ, তেওঁ হেনো নিজে নিজেই এদিন আত্মঘাতী হৈ মৰিছে।"

"তেওঁ কিয় এই মাৰাত্মক দুর্ঘটনাটো কৰিলে?"

"সি বোধকৰোঁ এনেকৈয়ে এদিন হ'ল।"

সেইদিনাখন তেওঁৰ তাৰ পৰা উভতি আহোঁতে বাটত চঁক খাই তই সন্নিপাত জ্বৰত পৰাৰ খবৰটো তেওঁ যেতিয়াই পালে তেতিয়াৰ পৰাই বেচেৰীৰ গাত একেবাৰে তত্ নাইকিয়া যেন হৈ পৰিল। তেওঁ প্রত্যেক দিনে খবৰ ল'বলৈ আহি তহঁতৰ ঘৰৰ নঙলা-মুখতে ৰৈ আছিলহি। কিন্তু মামা, মামী আৰু আইতাহ'তে তেওঁক এদিনো তাৰ পৰা ইফাল হ'বলৈকে নিদিলে, বৰং প্রত্যেক দিনে নানা কটু কথা কৈ অভদ্র ব্যৱহাৰ

কৰি তেওঁক তাৰপৰাই ফিৰাই পঠিয়ালে।

তই বৰ দুর্বল হৈ পৰা বুলি শুনি, তেওঁ এদিন তোক দিবলৈ দুটামান বেদানা আৰু আঙুৰগুটি কোঁচত ভৰাই লৈ তহঁতৰ ঘৰলৈ আহিছিল। কিন্তু সেইদিনাখন আইতাই তেওঁক জপনামুখৰ পৰাই আঁতৰাই পঠিয়ালে। অকল সেয়ে নহয়, তেওঁ বাহিৰে বাহিৰে দি যোৱা সেই ফলগালো জাপৰী বুটীৰ হতুৱাই তেওঁৰ চকুৰ আগতে একেবাৰে বাটৰ নর্দমাতে নি পেলাই দিয়ালে।

তাৰ পিছত তোৰ অসুখৰ একেবাৰে শেষৰফালে জ্বৰৰ প্ৰকোপত তই প্ৰত্যেক দিনে ৰাতি কিবা এটা মেকুৰী পোৱালিৰ কথা কৈ প্ৰলাপ বকা বুলি শুনি তেওঁ এদিন তোক দিয়াৰ কাৰণে মেকুৰী পোৱালি এটা লৈও ইয়ালৈ আহিছিল। কিন্তু সিদিনাখনো আইতা আৰু জাপৰী বুটীহঁতে তেওঁক জপনাৰ ইফাল হ'বলৈকে নিদিলে। আৰু তাৰেপৰাই নানা গালি পাৰি অপমান-বিকর্থনা কৰি তেওঁক খেদি পঠিয়ালে।

এইবোৰ কাৰণেই কেইদিনমানলৈ সেউতী বায়ে তেওঁৰ ঘৰৰ ভিতৰতে বৰ মন মাৰি উত্ৰাবল হৈ আছিল।

কিন্তু আইতা আৰু মামীহঁতে ইমানতো ক্ষান্ত নহৈ এদিন হেনো মামাৰ হতুৱাই তেওঁৰ বিৰুদ্ধে কাছাৰীত কিবা গোচৰ দিয়ালেগৈ। তাৰেই ফলতে হ'ব পাৰে এদিন কেইটামান ৰঙামুৱা পুলিচ আহি সেউতী বাইৰ ঘৰটো তেনেই ঘেৰি পেলালে আৰু তাৰপৰা বয়-বস্তু উলিয়াই দলিয়াই পেলাবলৈ ধৰিলে। সিহঁতে সেউতী বাইকো জোৰ-জুলুম কৰি তাৰপৰা উলিয়াই দিব খুজিছিল। কিন্তু সেউতী বাই মান্তি ন'হল। তেওঁ ক'লে যে তেওঁ দুদিন পিছতেই তাৰপৰা নিজে নিজেই আন এঠাইলৈ গুচি যাব।

তাৰ পিছদিনাখনেই বোধকৰোঁ তোৰ অসুখ বৰ চাৰ। ডাক্তৰে কৈছিল ৰাতিটোৰ ভিতৰতে কি হয় হেনো একো ক'ব নোৱাৰি।আমি খবৰটো পাই বৰ দুখ মনেৰে পাৰিলে সেউতী বাইকো কোৱাৰ কাৰণেই তেওঁৰ ঘৰৰ ফালে ফুৰিবলৈ গৈছিলোঁ। তেওঁ আমাক দেখিয়েই মনে মনে ঘৰৰ ভিতৰলৈ মাতি নিলে আৰু বৰ দুখ মনেৰে ক'বলৈ ধৰিলে— মইনাহঁত! তোমালোকেতো দেখি আছা; মই জনাত সোণৰ কোনো অহিত চিন্তা কৰা নাই। তাৰ কোনো অন্যায় কৰা নাই। দিনে, নিশাই ভগৱানৰ ওচৰত কেৱল তাৰ মঙ্গলৰ কাৰণেই খাটি আছোঁ। তথাপি যদি কিবা কাৰণে মোৰ দোষ হৈছে, মই নজনাকৈ তাৰ কিবা অন্যায় কৰিছোঁ, তেনেহ'লে তাৰ কাৰণে মই প্ৰায়শ্চিত্ত কৰিবলৈকো সাজু আছোঁ। তোমালোকক সাখী ৰাখি মই আজি ক'লোঁ যে মই মৰিলে যদি সঁচাকৈয়ে সোণৰ কিবা উপকাৰ হয়, তেনেহ'লে মই হাঁহি হাঁহি এই দেহা বিসর্জন দিবলৈকো প্ৰস্তুত আছোঁ। মই কেৱল বিচাৰোঁ মোৰ কাৰণে সোণৰ যাতে একো অন্যায় নহয়। সোণে যেন অকালতে প্ৰাণ হেৰুৱাবলগীয়া নহয়।

শুনিলোঁ, সেইদিনাখনেই হেনো ৰাতি সেউতী বায়ে তেওঁৰ ঘৰত কিয় জানো ডিঙিত চিপ-জৰী লগাই আপোন-ঘাতী হৈ মৰিল। আৰু আচৰিত কথা, সেই ৰাতিৰ

পৰাই হেনো তোৰ ইফালে লাহে লাহে অলপ সকাহ পৰি আহিবলৈ ধৰিলে।

তাৰ পিছদিনাখন দুপৰীয়া আমি সেউতী বাইৰ অকলশৰীয়া ঘৰটো দুৱৈৰ পৰা আলেঙে আলেঙে চাবলৈ গৈছিলোঁ। দেখিছিলোঁ যে এগালমান ৰঙা মুৰা পুলিচ আহি তেওঁৰ ঘৰখন একেবাৰে ঘেৰি পেলাইছিল। আৰু সিহঁতে চাৰিওপিনে ঘুৰি-পকি চাই, কিবাকিবি লিখি লৈ তেওঁৰ মৰা দেহটো হাস্পতালৰ হালধীয়া গাড়ীখনত ভৰাই কেনিবাদি তুলি লৈ গৈছিল।

কথাখিনি কৈ, মুকুটে তাৰ ৰঙা পৰা চল্‌চলীয়া দুয়োটা চকুৰে মোৰ চকু দুটালৈ একেথৰে বহুপৰ চাই ৰ'ল।

আৰু ময়ো যেন আৱেগৰপ্রাচুর্যত মুখেৰে একো মাতিব নোৱাৰি কেৱল তাৰ হাত এখন মোৰ হাতেৰে জোৰকৈ খামুচি ধৰি থাকিলোঁ।

মুকুটে সেইদৰে আৰু কিছু পৰ নীৰৱ আছিল।মই নিজেই সেই নীৰৱতা এবেলি ভঙ্গ কৰি সুধিলোঁ,

মুকুট, তই সেউতী বাইৰ সেই মেকুৰী-পোৱালিটোৰ কথা আৰু কিবা ক'ব পাৰ জানো?

মুকুটে মোৰ সেই প্রশ্নটো শুনি মোৰ হাতখন এৰুৱাই থৈ, কেনিবাদি হঠাতে ওলাই গ'ল।আৰু অলপ পিছতেই ডিঙিত ধুনীয়া ৰঙা ৰিবন মৰা নোদোকা, বগা, ফুট্‌-ফুটীয়া মেকুৰী পোৱালি এটা আনি মোক দেখুৱাই লৈ ক'লে, "সোণ, সেউতী বায়ে তোক দিবলৈ অনা এইটোৱেই সেই মেকুৰী পোৱালিটো।শেষ দিনাখন মই যেতিয়া তেওঁৰ ঘৰত তেওঁক লগ পাইছিলোঁ। তেওঁ মোক কৈছিল,

মুকুট,মই এই মেকুৰী পোৱালিটো সোণক দিম বুলিয়েই বাছিথৈছিলোঁ। কিন্তু দিব নোৱাৰিলোঁ।সেয়ে পোৱালিটো তোমাকেই দিলোঁ।তুমি তাক তোমালোকৰ ঘৰত নি অতি যতনেৰে ৰাখাঁ যেন, আৰু সোণ যেতিয়া ভাল হৈ উঠে, তেওঁক দি দিয়া যেন।

কথাযাৰ কৈ মুকুটে সেই মেকুৰী পোৱালিটো এটা যেন অতি পৱিত্র স্মৃতিৰ বস্তুৰ দৰেই মোৰ ওচৰলৈ আগবঢ়াই দিলে আৰু আমি দুয়ো সেই মেকুৰী পোৱালিটোক আমাৰ দুয়োৰে বুকুৰ মাজত সাৱটি লৈ, কিবা যেন এটা বুজাব নোৱাৰা বেথাত একেদৰে হুক্‌ হুক্‌কৈ কান্দিবলৈ ধৰিলোঁ। যেন সেই কান্দোনৰ আৰু শেষ নাই, অন্ত নাই, বিৰাম নাই।

নেজানো কেলেই, সেউতী বাইৰ কথা মনত পৰিলে মোৰ আজিও কেৱল সেইদিনাখনৰ আমাৰ দুয়োৰে সেই নিঃসহায় কান্দোনৰ কথাকে মনত পৰে।

আৰু আজিও মোৰ চকুৰ আগেদি সেই ডালিম জোপাৰ তলত তাঁতশালৰ ওচৰত থকা, সেউতী বাইৰ সেই সকৰুণ চকুযুৰি একেদৰে ভাহি যোৱা যেন লাগে।

মই আজিও কেতিয়াবা সময় পালে ভাবিবলৈ যত্ন কৰোঁ, সেউতী বাইৰ সেই ধুনীয়া চকুযুৰিৰ অন্তৰালত আমি সিদিনা সঁচাকৈয়ে কি বস্তুটো দেখি তেনেদৰে উদ্বাউল হৈ উঠিছিলোঁ?

ই মৰম ? চেনেহ ? নে তাতোকৈও গধুৰ কিবা বুজিব নোৱৰা এটি ডাঙৰ মায়া ?

৯.৪.২ গল্পটোৰ চৰিত্রসমূহ

'অবুজ মায়া' চুটি গল্পটিত মুখ্যতঃ আমি তিনিটা চৰিত্র দেখিবলৈ পাওঁ। সোণ, বুঢ়ীমাক আৰু সেউতী বাই— এই তিনিওটা চৰিত্র গল্পটিত সজীৱভাৱে চিত্রিত হৈছে। বাকীবোৰ চৰিত্র, যেনে— সোণৰ বন্ধু মুকুট, সোণৰ মাক-দেউতাক আদি গল্পটিৰ প্রয়োজনত মাত্র ইঙ্গিতেৰে দাঙি ধৰা হৈছে। সিবোৰ চৰিত্রৰ বিকাশ গল্পটোত নাই।

'সোণ' গল্পটিৰ নায়ক চৰিত্র। শৈশৱ-কৈশোৰৰ দুৱাৰডলিত ভৰি দি সোণে সমনীয়া বন্ধুহঁতৰ লগত বাহিৰৰ পৃথিৱীখনত ডেও দি ফুৰে। আমবাৰীৰ আম-কলি, কর্জু-টেঙা গোটাই লৈ চকলীয়াই খোৱাৰ ব্যৱস্থা কৰে। পেণ্টত নিমখ-জলকীয়াৰ টোপোলা আৰু কটাৰী লৈ ফুৰে। ল'ৰাহঁতৰ এই খোৱা অভিযানৰ সামৰণি পৰিছিল সমাজৰ পৰা বহিষ্কৃতা সেউতী বাইৰ চোতালত। সেই সুবাদতে সেউতী বাইৰ মৰম-চেনেহ লাভ কৰি সেউতী বাইৰ সৈতে সিহঁতৰ আত্মিক সম্পর্ক এটি গঢ় লৈ উঠিছিল। সোণে সেউতী বাইৰ পৰা লাভ কৰা মাতৃসুলভ মৰম-চেনেহত এটি অজান উন্মাদনা লাভ কৰিছিল। সময় পালেই সেউতী বাইৰ তালৈ যোৱা সোণে এদিন তামোলবাৰীৰ এজোপা তামোলৰ আঁৰ হৈ একেথিৰে সেউতী বাইৰ ধুনীয়া মুখখনিলৈ ৰ লাগি চাই আছিল— "দূৰৰ পৰাই তাৰে তামোল গছ এজোপাৰ আঁৰ লৈ মই মনে মনে সেউতী বাইৰ তাঁতশালৰ ফালে একেথৰে চাই আছিলো। দেখিলোঁ সেউতী বায়ে আনকালৰ দৰে সিদিনাও তলমূৰ কৰি একান্তমনে বোধকৰোঁ তেওঁৰ তাঁতৰ কাপোৰৰ ওপৰত বাঁহৰ সৰু সৰু ছিৰিৰে আঁচু-সূতাৰ ডাঙৰ ডাঙৰ ৰঙা ফুল বাছি আছিল। আৰু সেই সূতাৰ ৰঙা বোলখিনি তেওঁৰ মুখত পৰি, সিদিনা মুখখন আৰু বেছি ধুনীয়া হৈ উঠিছিল। এইদৰেই কিবা এটি এৰাব নোৱৰা মায়াত পৰি মই তামোল গছজোপাৰ আঁৰৰ পৰাই মনে মনে সেউতী বাইৰ মুখখনিলৈ ৰ লাগি চাই আছিলো।"

ইয়াত জৈৱিক কামনা-বাসনাৰ কোনো লেখমাত্র ভাব নাথাকিলেও কৈশোৰৰ দুৱাৰডলিত অৱচেতন মনত উন্মেষ ঘটা বিপৰীত লিঙ্গৰ প্রতি আকর্ষণৰ এক নুবুজা ভাবৰ উক্‌মুকনিৰ প্রকাশ দেখিবলৈ পোৱা যায়। গতিকে, ফ্রয়ডীয় মনস্তত্ত্বৰ ফালৰ পৰা বিচাৰ কৰিলে সোণৰ আচৰণত ক'ব নোৱৰাকৈয়ে তেনে ভাবৰ প্রকাশ ঘটা যেন ধাৰণা হয়। কিয়নো উক্ত ঘটনাটোৰ বাহিৰেও আন এঠাইত তেনে ভাবৰ পুনৰ প্রকাশ ঘটা যেন লাগে। মাজনিশাও কেতিয়াবা সাৰ পাই সোণে সেউতী বাইৰ মৰমসনা কোলা আৰু বুকুত মূৰ থৈ মৰমৰ আৱেশত শুৰ বিচাৰে— "মই হ'লে ৰাতিও কেতিয়াবা বিছনাত শুই শুই ভাবিছিলোঁ যে সেউতী বাইৰ মাত-কথা আৰু চকুহালৰ, যেনে— মৰম-সনা, কেতিয়াবা তেওঁৰ বুকুৰ মাজত শুবলৈ পোৱাহেঁতেন বোধকৰোঁ আইতাৰ বুকুৰ মাজত শোৱাতকৈও আৰু বেছি ভাল লাগিলহেঁতেন।"

ফ্ৰয়ডীয় মনস্তত্ত্বৰ ফালৰ পৰা এই কথা বিচাৰ কৰি চাব পাৰি যদিও সোণৰ মাতকথা, চিন্তা-ভাবনাত কিন্তু সেউতী বাইৰ প্ৰতি মাতৃৰ প্ৰতি থকা স্বাভাৱিক মৰম-চেনেহহে ফুটি উঠা দেখা যায়। এই সম্পৰ্ক মাতৃ আৰু পুত্ৰৰ মাজত থকা চিৰন্তন প্ৰেমৰ সম্পৰ্ক, কিন্তু এই সম্পৰ্কক বুজিব নোৱাৰি সোণৰ বুঢ়ীমাকে তাক সেউতী বাইৰ ওচৰলৈ যাবলৈ মানা কৰি গালি-শপনি আৰু মাৰধৰ কৰিলে। বুঢ়ীমাকৰ এনে অন্যায়ৰ প্ৰতিবাদ কৰি সোণে ক'লে যে, হাজাৰ মাৰধৰ কৰিলেও তেওঁ সেউতী বাইৰ ওচৰলৈ যাবই, কাৰণ তেওঁ এগৰাকী ভাল মানুহ।তেওঁ যথেষ্ট মৰম-চেনেহ কৰে।হাজাৰ মাৰধৰ খায়ো বাধা নমনাত বুঢ়ীমাকে সোণক একপ্ৰকাৰ বন্দী কৰি ৰাখিলে। সোণৰ বিদ্ৰোহী মনে সুযোগ বুজি পুনৰ সেউতী বাইৰ ঘৰলৈ যোৱাৰ সুযোগ বিচাৰি থাকিল। সেউতী বাইৰ চোতালত খেলি থকা ফুটফুটীয়া মেকুৰী পোৱালিটো দেখি সি নিজৰ ঘৰলৈ আনিব বিচাৰিলে। পশু-পক্ষী আদিৰ প্ৰতি থকা সোণৰ স্বাভাৱিক মৰমৰ প্ৰকাশ ইয়াৰ যোগেদি ফুটি উঠিছে। সোণে মৰমসনা মাতেৰে আন্দাৰ ধৰি সেউতী বাইৰ ওচৰত পোৱালিটো বিচাৰিলে। সেউতী বাইয়ে সোণক কোলাত বহুৱাই লৈ মৰমেৰে চুলিবোৰ পিহি দি পোৱালিটো তাকেই দিব বুলি ক'লে। ঘৰলৈ উভতি আহোতে বাঁহৰ তলৰ জোপোহাৰ পৰা ওলাই অহা ক'লা-ম'লা বস্তু এটি দেখি ভয়ত আতংকিত হৈ আৰু তেনেই অৱশ দেহেৰে সোণে কোনোমতে পিছপিনৰ চোতালত উপস্থিত হ'ল।

সোণৰ সন্নিপাত জ্বৰ হ'ল। এমাহমান জ্বৰত ভুগি থাকি পাছত মুকুটৰ পৰা গম পালে যে আইতাক আৰু মাক-দেউতাকহঁতে ৰঙামুৰা পুলিচৰ হতু�ৱাই সেউতী বাইৰ ওপৰত অত্যাচাৰ চলালে। সেউতী বাইয়ে সোণৰ জ্বৰৰ খবৰ পাই বেদনা, আঙুৰগুটি আদি সোণৰ বাবে লৈ আহিছিল যদিও নঙলামুখৰ পৰাই তেওঁক ওভতাই পঠিয়াইছিল। পাছত পুলিচৰ অত্যাচাৰত আৰু সোণৰ মঙ্গলৰ বাবে সেউতী বাই আপোনঘাতী হ'ল। মুকুটৰ পৰা এই কথাবোৰ জানিব পাৰি সোণ দুখ-বেদনাত মৰ্মাহত হ'ল। সোণৰ মানস স্মৃতিপটত সেউতী বাইৰ মৰমসনা চকুহাল সদায় ভাহি থাকিল। সেউতী বাইৰ স্মৃতি ৰোমন্থন কৰি সোণে বাৰে বাৰে চিন্তা কৰিছে— সেই সম্পৰ্ক আচলতে কি আছিল— মৰম-চেনেহ নে তাতোকৈ গধুৰ কিবা ডাঙৰ মায়া?

গতিকে, সোণৰ চৰিত্ৰত শৈশৱ-কৈশোৰৰ সময়ছোৱাৰ স্বাভাৱিক কাৰ্যকলাপ ফুটি উঠা দেখা যায়। অইন দহজনৰ দৰেই সোণেও ভৰদুপৰীয়া বাৰীয়ে বাৰীয়ে ঘূৰি ফুৰি আম-জাম গোটায়; বাঁহৰ তল, পিটনিৰ পাৰে পাৰে দৌৰি ফুৰি অজান পৃথিৱীখনত ডেও দি ফুৰে।অইন ল'ৰাৰ দৰে সোণো মৰম-চেনেহৰ প্ৰতি আকলুৱা হয়; পশু-পক্ষীৰ প্ৰতি মৰমিয়াল হয়।ঘৰৰ শাসনত বান্ধ খাই থাকি বিদ্ৰোহী হৈ প্ৰতিবাদমুখৰ হয়। এনেবোৰ কথাই সোণ চৰিত্ৰটিক বাস্তৱসম্মত কৰি সজীৱ আৰু জীৱন্ত কৰি তুলিছে।

- **সেউতী বাই ঃ** সেউতী বাই সমাজৰ পৰা বহিষ্কৃতা এগৰাকী নাৰী। যৌৱনত হয়তো কোনোবা প্ৰেমিকৰ চৰিত্ৰ চিনিব নোৱাৰি প্ৰেমত প্ৰতাৰিত হৈছিল, নহয়তো

কাৰোবাৰ হাতত সতীতত্ব হেৰুৱাইছিল। সেয়া যি কি নহওক, সমাজৰ বিচাৰত সেউতী বাই দোষী সাব্যস্ত হৈ অকলশৰে থাকিবলগীয়া হৈছিল। নির্জন ৰে'ললাইনৰ সিকাযে থকা তামোলবাৰী এখনৰ দাঁতিত সেউতী বাইয়ে অকলশৰে জীৱন কটাইছিল। বাইৰ ঘৰখনলৈ অইন মানুহৰ অহা-যোৱা নহ'লেও সৰু ল'ৰা সোণহঁতৰ তালৈ সদায় আহ-যাহ চলিছিল। সিহঁতে অনা আম-কলি, কর্জু টেঙাৰ সোৱাদ লৈ সেউতী বাইয়ে সিহঁতৰ লগত ধেমালি কৰিছিল। সুখ-দুখৰ কথা পাতিছিল। সেউতী বাইৰ হৃদয়ত লুকাই থকা মাতৃসুলভ স্নেহে পাৰ ভাঙি উথলি উঠিছিল। কিন্তু বাইয়ে সমাজৰ দায়-দোষ এৰুৱাবলৈ সংযতভাৱে কাৰো গাত হাত-ভৰি নলগাকৈ দূৰৰ পৰাহে হাঁহি-ধেমালিত যোগদান কৰিছিল। আনকি ল'ৰাহঁতৰ পানী-পিয়াহ লাগিলেও কুঁৱাৰ পৰা পানী তুলি বাল্টিৰ কাণেৰে ওপৰৰ পৰা ল'ৰাহঁতৰ হাতৰ তলুৱাত ঢালি দিছিল। অইন ল'ৰাবোৰতকৈ সোণক বাইয়ে অলপ বেছিকৈ মৰম কৰি কোলাত তুলি চুলিবোৰ পিহি দি হৃদয়ৰ বেদনা-ব্যথা পাহৰি থাকিবলৈ চেষ্টা কৰিছিল। ৰক্ষণশীল সমাজে সেউতী বাইৰ ঘৰলৈ যোৱাটোকো পাপ বুলি প্রচাৰ কৰিছিল। বাইৰ ঘৰলৈ গ'লে জাতি, ধর্ম সকলো যায় বুলি সমাজে গৰিহণা দিয়ে।সমাজৰ এনে গৰিহণা পালেও বাইয়ে বিশ্বাস কৰে তাই তেনে কোনো পাপ কৰা নাই। ভগৱানে সেই কথা জানে। গতিকে, সোণৰ দৰে ল'ৰাহঁতে তাইৰ চোতাললৈ আহি এখন্তেক সুখ দিয়াটো তাই মনে মনে কামনা কৰে যদিও সমাজৰ মানুহে এইকণ সুখৰ পৰাও তাইক বঞ্চিত কৰিব বিচাৰে। সোণৰ বুঢ়ীমাকে তাক বাইৰ ওচৰলৈ যাবলৈ নিদি একপ্রকাৰ বন্দী কৰি ৰাখে। সোণৰ জ্বৰ হোৱাত সেউতী বায়ে উধাতু খাই লৰি বেদানা, আঙুৰগুটি দিবলৈ সোণৰ ঘৰখনলৈ গৈছে। কিন্তু নঙলা মুখৰ পৰাই তিৰষ্কাৰ-গৰিহণা, ঠাট্টা-বিদ্রূপ পাই ক্ষত-বিক্ষত মনেৰে ঘৰলৈ উভতি আহিছে। কিন্তু সোণে প্রলাপ বকাৰ খবৰ পাই মেকুৰী পোৱালিটো দিবলৈ বাই সোণহঁতৰ ঘৰলৈ পুনৰ গৈছে। লাজ-মান কাটি কৰি থৈ সেউতী বাইয়ে সোণক দেখা কৰিবলৈ পুনৰ যোৱা কথাটোত তাইৰ অন্তৰত সোণৰ প্রতি থকা গভীৰ মৰমৰ উমান পোৱা যায়। সমাজৰ দৃষ্টিত সেউতী বাইৰ তাত যোৱা কাৰণেই পাপ লাগি সোণৰ অসুখ যেনিবা বাঢ়ি গৈছে। এই গ্লানি সহিব নোৱাৰি সেউতী বাইয়ে সোণৰ বন্ধুহঁতক নিজৰ ঘৰলৈ মাতি নি কৈছে— "মইনাহঁত, তোমালোকেতো দেখি আছা; মই জনাত সোণৰ কোনো অহিত চিন্তা কৰা নাই।তাৰ কোনো অন্যায় কৰা নাই। দিনে-নিশাই ভগৱানৰ ওচৰত কেৱল তাৰ মংগলৰ কাৰণেই খাটি আছো। তথাপি যদি কিবা কাৰণে মোৰ দোষ হৈছে, মই নজনাকৈ তাৰ কিবা অন্যায় কৰিছোঁ, তেনেহ'লে তাৰ কাৰণে মই প্রায়শ্চিত্ত কৰিবলৈকো সাজু আছো। তোমালোকক সাখী ৰাখি মই আজি ক'লোঁ যে মই মৰিলে যদি সঁচাকৈয়ে সোণৰ কিবা উপকাৰ হয়, তেনেহ'লে মই হাঁহি হাঁহি এই দেহা বিসর্জন দিবলৈকো প্রস্তুত

আছোঁ।"

সেউতী বাইৰ কিবা দোষৰ বাবেহে সোণৰ অসুখ হৈছে— এই মানসিক অন্তর্দ্বন্দ্বত ক্ষত-বিক্ষত হৈ সেউতী বাইয়ে সন্তানস্বৰূপ সোণৰ মঙ্গলৰ বাবে আপোনঘাত হ'ল। মৃত্যুৰ যোগেদিও সেউতী বাইয়ে নাৰীৰ সন্তানৰ প্ৰতি থকা গভীৰ প্ৰেমৰ (মাতৃসুলভ প্ৰেম) চানেকি দাঙি ধৰিলে। এইদৰে সেউতী চৰিত্ৰত ব্যক্তি আৰু সমাজৰ পৰা অন্যায়-অবিচাৰ, লাঞ্ছনা-গঞ্জনা পোৱা নাৰী এগৰাকীৰ জীৱনৰ প্ৰতিচ্ছবি ফুটি উঠা দেখা যায়। চৰিত্ৰটিক তেওঁৰ অসাধাৰণ প্ৰেমে উজ্জ্বল ৰূপত দাঙি ধৰিছে। বুজন আৰু শিক্ষিত মানুহৰ পৰা তিৰষ্কাৰ পালেও সৰু ল'ৰা-ছোৱালী আৰু জীৱ-জন্তুৰ মাজত বাইয়ে সঁচা মৰম বিচাৰি ফুৰিছিল। নাৰী হৃদয়ৰ স্বাভাৱিক মাতৃসুলভ প্ৰেমৰ ব্যতিক্ৰমী চিত্ৰণে চৰিত্ৰটিক এটি অমৰ চৰিত্ৰ হিচাপে অসমীয়া সাহিত্যত চিৰদিন জীয়াই ৰাখিব।

- **বুটীমাক ঃ** বুটীমাক আৰু সোণৰ সম্পৰ্কটো আইতা-নাতি ল'ৰাৰ স্বাভাৱিক সম্পৰ্কৰ চিত্ৰণেৰে দাঙি ধৰা হৈছে। সোণৰ মাক-দেউতাকতকৈও বুটীমাকে সোণক বেছিকৈ চোৱা-চিতা কৰে। ৰাতি একেলগে বিছনাত শুৱে। গতিকে, বুটীমাকৰ চৰিত্ৰত স্বাভাৱিক মৰম-স্নেহৰ প্ৰকাশ ঘটিছে। মৰম-স্নেহ কৰিলেও কিন্তু বুটীমাকে সোণৰ মংগলৰ বাবে তাক শাসনো কৰে। সমাজচ্যুত সেউতী বাইৰ তালৈ যোৱাৰ বাবে মাৰ-ধৰ কৰি গালি-গালাজ পাৰে, যাতে পুনৰ তালৈ নাযায়। আচলতে সমাজৰ ৰক্ষণশীলতাত ডাঙৰ-দীঘল হোৱা বুটীমাকে তেনে ধাৰণাৰেই সোণক সেউতীবাইৰ তালৈ যোৱাটো পছন্দ নকৰে। বুটীমাকে ভাবে সেউতীয়ে কিবা আহুদি কৰি ল'ৰাহঁতক তালৈ নিয়ায়। গতিকে, সোণক তালৈ যোৱাৰ সকলো সম্ভাব্য-অসম্ভাব্য পথ ৰুদ্ধ কৰি দিলে। অনবৰতে সোণৰ ওপৰত তীক্ষ্ণ নজৰ দি ৰাখিলে। কিন্তু তাৰ মাজতেই সেউতীৰ ঘৰলৈ গৈ সোণে উভতি আহোতে বাটত চক খোৱাত মালিনী বুটীৰ পৰা মন্ত্রপূত জাপ আনি বাউসীত বান্ধি দিছে। অন্ধবিশ্বাসৰ কথা ইয়াত প্ৰকাশ পালেও তাৰ লগতে বুটীমাকৰ সঁচা মৰমৰ ছবি এখনো সমানেই জিলিকি উঠিছে। জ্বৰৰ প্ৰকোপ বাঢ়ি যোৱাত কলহৰ ঠাণ্ডা পানী মূৰত ঢালি, ক'লাখাৰ খুৱাই দিছে। সি যি কি নহওক, সমাজৰ অন্ধবিশ্বাস-কুসংস্কাৰ, ৰক্ষণশীলতাত ডাঙৰ হোৱা বুটীমাকে সেউতীক জপনামুখৰ পৰা জাপ্‌ৰী বুটীৰ হতুৱাই খেদি পঠোৱালে। আনকি সোণক দিবলৈ অনা বেদানা, আঙুৰগুটিও তেওঁৰ চকুৰ সন্মুখতে নৰ্দমাত পেলাই দিলে। এনে অমানৱীয়তা আৰু নিষ্ঠুৰতা বুটীমাকৰ চৰিত্ৰত দেখিবলৈ পোৱা যায়। আনকি কাছাৰীত সেউতীৰ বিৰুদ্ধে গোচৰ দি পুলিচৰ হতুৱাই অত্যাচাৰো কৰালে। বুটীৰ এই সকলো নিষ্ঠুৰতাৰ অন্তৰালত আছিল সোণৰ মংগল কামনাৰ বাসনা। সেউতীৰ সংগত ভৱিষ্যতে সোণৰ অমঙ্গল হ'ব— সেই ধাৰণাৰ বাবেই সেউতীক তাৰ পৰা খেদি পঠোৱাৰ ব্যৱস্থা কৰিছিল। নাৰী হৈ নাৰীৰ অন্তৰৰ বেদনা-ব্যথা বুজিবলৈ চেষ্টা নকৰা, ৰক্ষণশীল এচাম নাৰীৰ প্ৰতিভূ হিচাপে বুটীমাকক থিয় কৰোৱা

হৈছে। গতিকে, এই চৰিত্রটো এটা টাইপ চৰিত্র বুলিয়ে ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

৩ নং প্রশ্ন ঃ সেউতী চৰিত্রৰ মানসিক দ্বন্দ্ব সম্পর্কে চমুকৈ আলোচনা কৰক। (150 টা শব্দৰ ভিতৰত)

৯.৪.৩ গল্পটোৰ সাধাৰণ আলোচনা

ৰমা দাশৰ 'অবুজ মায়া' চুটিগল্পটি তেওঁৰ অন্য গল্পতকৈ ব্যতিক্রম ধর্মী ৰচনা। সাধাৰণতে দাশৰ গল্পত ব্যক্তিৰজীৱনৰ গোপন ফালটোৰপ্রকাশ ঘটা দেখা যায়। মানুহৰ কামনা-বাসনাৰ নগ্ন ছবি তেওঁ যি ধৰণে দাঙি ধৰিছে, আন অসমীয়া গল্পকাৰে তেনে মাধুর্যময় ভাষাৰে অঙ্কন কৰিব পৰা নাই। 'অবুজ মায়া' গল্পটিত কিন্তু তেনে ভাবৰ প্রকাশ ঘটা পৰিলক্ষিত নহয়। মাতৃসুলভ অপত্য স্নেহ আৰু পুত্রৰ মাতৃৰ প্রতি থকা আকুলতাৰ ছবি 'অবুজ মায়া' গল্পটিত দাঙি ধৰা হৈছে। গতিকে, বিষয়বস্তুৰ পিনৰ পৰা এই গল্পটি তেওঁৰ অন্যান্য গল্পৰ পৰা আঁতৰি অহা। দাশৰ অন্য গল্পবোৰত প্রায় একে ধৰণৰ নাৰী চৰিত্র আৰু একে ধৰণৰ সমস্যাৰ পুনৰাবৃত্তিৰ যি দোষৰ কথা সমালোচকসকলে আঙুলিয়াই দিছে, এই গল্পটি তেনে দোষৰ পৰা মুক্ত। তদুপৰি দাশৰ গল্পত যি গভীৰ জীৱনবোধ আৰু জীৱনৰ বৈচিত্র্যৰ অভাৱ দেখা যায় বুলি আপত্তি শুনা যায়— তেনে দোষৰ পৰাও এই গল্পটি মুক্ত।কামনা-বাসনাই ৰমা দাসৰ গল্পৰ চৰিত্রক ঘেৰি ধৰি ব্যক্তিত্বৰ বিলোপ সাধন কৰাৰ ছবিৰ সলনি 'অবুজ মায়া' গল্পত কিন্তু নিজস্ব মহিমাৰে চৰিত্রবোৰ জিলিকি উঠিছে। মুঠৰ ওপৰত, বিভিন্ন স্মৰণীয় বিশেষত্বৰে 'অবুজ মায়া' ৰমা দাশৰ এটি সফল গল্প।

গল্পটিৰ পটভূমি গুৱাহাটী। অৱশ্যে আজিকালিৰ গুৱাহাটীৰ দৰে তেতিয়াৰ গুৱাহাটী নাছিল। গুৱাহাটীত তেতিয়া গাঁৱৰ পৰিৱেশে বিৰাজ কৰিছিল।গল্পটোৰ নায়ক 'সোণে' অইন ল'ৰাবোৰৰ লগত আমবাৰী, জামবাৰীৰ পৰা আমকলি, কর্জু টেঙা যোগাৰ কৰি নির্জন পৰিৱেশত সেউতী বাইৰ ঘৰৰ চোতালত আড্ডা দি ভগাই খাইছিল। গাঁৱলীয়া সমাজত এনে দৃশ্য তেনেই চিনাকি। শৈশৱ-কৈশোৰত গাঁৱলীয়া ল'ৰাই হাতত কটাৰী, নিমখৰ টোপোলা লৈ বাৰীয়ে বাৰীয়ে আম-জাম পাৰি গোটাই সমূহীয়াভাবে ভগাই খোৱা দৃশ্যঅতি পৰিচিত দৃশ্য। ইয়ে গল্পটিক বাস্তৱসন্মত আৰু স্বাভাৱিক কৰাত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। সোণহঁতৰ বয়সত সোণৰ দৰেই বাঁহৰ বাৰীৰ লুংলুঙীয়া বাটেৰে ভৰ দুপৰীয়া পথাৰত ডেও দি ফুৰা ল'ৰাই কেতিয়াবা চক খাই বেহুচ হোৱাৰ দৃশ্যও অতি জীৱন্তভাৱে দাঙি ধৰিছে। সি যি কি নহওক, গাঁৱলীয়া পৰিৱেশৰ চিত্রণত গল্পকাৰ সফল হৈছে বুলিয়েই ক'ব পাৰি।

তেনেদৰে সোণে ভৰ দুপৰীয়া বাঁহৰ বাৰীত ক'লা-ম'লা কিবা বস্তু দেখা পাই চক খোৱা, মালিনী বুঢ়ীৰ পৰা বুঢ়ীমাকে জাপ গুঁঠি আনি সোণৰ বাউসীত বান্ধি দিয়া, আহুদি কৰা আদি কথাবোৰৰ পৰা গাঁৱত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ ছবি এখনো সজীৱভাৱে দাঙি ধৰা হৈছে।

গাঁৱৰ বিচাৰ ব্যৱস্থা অতি কঠোৰ। সমাজৰ নীতি-নিয়ম উলংঘা কৰিলে কঠোৰতম শাস্তি বিহা হয়। গল্পটিত তাৰ আভাস দাঙি ধৰা হৈছে। ভদ্ৰপাৰাত সেউতীয়ে নিজৰ দেহা ছুৱা খেদোৱাত সমাজচ্যুতা হৈ ৰে'ল লাইনৰ দাঁতিৰ সমীপৱৰ্তী এৰাবাৰী সদৃশ নিৰ্জন পৰিৱেশত অকলশৰে জীৱন কটাবলগীয়া হৈছে। এই কথাই ব্যক্তি আৰু সমাজৰ দ্বন্দ্ব বা সংঘাতৰ ছবিৰো ইঙ্গিত দাঙি ধৰি ব্যক্তিৰ জীৱন সমাজে কিদৰে তিল্‌তিল্‌কৈ মৃত্যুৰ মুখলৈ ঠেলি দিব পাৰে— তাৰ জীৱন্ত ছবি এখন গল্পটিত ফুটি উঠিছে। লেখকে 'ভদ্ৰপাৰা' শব্দটো বিদ্ৰূপাত্মকভাৱে প্ৰয়োগ কৰি নিষ্ঠুৰ, মানৱতাহীন সমাজৰ ছবিহে দাঙি ধৰা যেন অনুমান হয়। সেইখন সমাজত (ভদ্ৰপাৰা) শিক্ষিত, বিবেকৱান মানুহে নিৰ্বিচাৰে সেউতী বাইৰ দৰে মানুহক প্ৰকৃত সত্যটো নজনাকৈ দোষী সাব্যস্ত কৰি নৰকময় যন্ত্ৰণাৰ পথলৈ ঠেলি দিয়ে। পাপবোধৰ ধাৰণাৰে সাধাৰণ মানুহে সেউতী বাইৰ ঘৰখনলৈ নাযায়। সিহঁতৰ জাত যায়, ধৰ্ম যায় বুলি গভীৰ আক্ষেপেৰে সেউতী বাইয়ে সেই কথা সোণৰ আগত প্ৰকাশ কৰিছে। সমাজে ব্যক্তিৰ হৃদয়ত হনা আঘাতৰ ফলত ব্যক্তিৰ জীৱন কেনেকৈ থানবান হয়— সেই মৰ্মাঘাতৰ ব্যথা পাহৰি থাকিবলৈ সেউতী বাইৰ দৰে মানুহে মানুহৰ সলনি পশুৰ সঙ্গত থাকিবলগা হয়— সেই কথাও গল্পটিত প্ৰকাশিত হৈছে। বাইয়ে মেকুৰী পুহি জীৱনৰ লগৰীয়া কৰি সুখে-দুখে সমভাগী হৈছে। ইয়াতকৈ আৰু ডাঙৰ ট্ৰেজিক দৃশ্য এখন সমাজৰ বাবে কি হ'ব পাৰে! সেউতী বাইৰ চোতালত সৰু সৰু ল'ৰাবোৰে আনে নেদেখাকৈ আম-কলি, কৰ্জু টেঙা খাবলৈ, আড্ডা দিবলৈ লগ লাগে। সিহঁতৰ খন্তেকীয়া উপস্থিতিত সেউতীৰ শুকান হৃদয়খন ৰসেৰে ভৰি উঠে। সেউতী বাইৰ মাতৃহৃদয়ত মৰম উথলি উঠে। কিন্তু মৰম কৰিবলৈও যে সমাজে তাইক অধিকাৰ দিয়া নাই। সিহঁতৰ সৈতে হাঁহি-ধেমালি কৰে যদিও হাত-ভৰি নলগাকৈ দূৰৰ পৰাই যোগ দিয়ে, সংযতভাৱে-সঙ্কোচভাৱে। ল'ৰাহঁতে কেতিয়াবা পানী বিচাৰিলে কুঁৱাৰ পৰা পানী তুলি বাল্টিৰ কাণেৰে হাতৰ তলুৱাত ঢালি দিয়ে। এনেবোৰ, দৃশ্যই ব্যক্তি আৰু সমাজৰ দ্বন্দ্ব সম্পৰ্কে পাঠকৰ মনত চিন্তাৰ উদ্ৰেক কৰে। এই খন্তেকীয়া মৰমকণৰ পৰাও সেউতী বাই বঞ্চিত হয়।

ল'ৰাহঁতক সেউতী বাইৰ ওচৰলৈ যাবলৈ ঘৰত বাধা দিয়া হয়। কাঢ়া শাসনৰ বাঘজৰীৰে বান্ধি ৰাখি, গালি-শপনি পাৰি সোণহঁতক বাধা দিব নোৱাৰি। কাৰণ সিহঁতে সেউতী বাইক প্ৰাণভৰি ভাল পায়। সোণৰ বুঢ়ীমাক, জাপৰী বুঢ়ীহঁতৰ দৰে নাৰীয়ে সমাজৰ কুসংস্কাৰৰ বশৱৰ্তী হৈ সেউতী বাইৰ ঘৰ-দুৱাৰ ভাঙি পেলায়, পুলিচৰ দ্বাৰা অত্যাচাৰ চলায়। নাৰীয়ে নাৰী হৃদয়ৰ মমতাৰ কথা নুবুজিলে অইনে কি বুজিব। সোণৰ

সন্নিপাত জ্বৰ বেছি হোৱাৰ খবৰ পাই লাজ-মান বাদ দি সেউতী বাইয়ে বেদনা, আঙুৰগুটি আৰু মেকুৰী পোৱালিটো দিবলৈ অহাত জপনা মুখৰ পৰাই অপমান কৰি সেউতী বাইক খেদি পঠালে। মানৱীয়তাৰ এনে চৰম বিপর্যয়ৰ ছবিয়ে পাঠকৰ হৃদয় কাৰুণ্যৰ আর্দ্রতাৰে ভৰাই তোলে। কিন্তু মাতৃ হৃদয় পুত্ৰৰ প্ৰেমত মহীয়ান হোৱাৰ বাবে অপমান, লাঞ্ছনা-গঞ্জনাৰ চিন্তা তাত নাহে। সেউতী বাইয়ে সকলো জলাঞ্জলি দিও সদায় সোণহঁতৰ ঘৰৰ সন্মুখত ৰৈ থাকে— সোণৰ বাতৰি পাবলৈ। পুলিচৰ অত্যাচাৰত ঘৰ-বাৰী নোহোৱা হোৱাত সোণহঁতৰ লগৰীয়াবোৰক মাতি নি সেউতী বাইয়ে মনৰ সকলো যন্ত্ৰণা সিহঁতৰ আগত প্ৰকাশ কৰে। সোণৰ মঙ্গলৰ বাবেই নিজৰ দেহা বিসর্জন দিবলৈ বাই আগবাঢ়ি আহিছে আৰু ইহ জীৱনৰ পৰা আঁতৰি যায়। দৰাচলতে সেউতী বাইৰ জীৱন যেনিবা সমাজৰ নির্যাতনৰেই ইতিহাস বুলি ক'ব পাৰি। সমাজৰ ঠগ-প্ৰবঞ্চনা আৰু অন্যায়-অবিচাৰত শেষত মৃত্যুৰ যোগেদি আন এখন ঠাইৰ সন্ধানত সেউতী বাই আঁতৰি যায়।

গল্পকাৰ ৰমা দাশৰ অন্য গল্পবোৰত ফ্ৰয়ডীয় মনস্তত্ত্বৰ প্ৰভাৱ যিদৰে পৰিছে, 'অবুজ মায়া' গল্পত তেনেদৰে পৰা নাই। সোণৰ মনত উদ্ভৱ হোৱা দুটি বিশেষ ভাৱৰ মাজত ফ্ৰয়ডীয় ধাৰণাৰ ছাঁ পৰো-নপৰোকৈ পৰা যেন ধাৰণা হয়। চৰিত্ৰ বিশ্লেষণত ইতিমধ্যে সেই কথা আমি আলোচনা কৰিছোঁহঁক।মাতৃ হৃদয়ৰ চিৰন্তন প্ৰেম আৰু পুত্ৰৰ মৰমৰ আকুলতাৰ ছবি দাঙি ধৰা অসমীয়া গল্পসমূহৰ মাজত ৰমা দাশৰ 'অবুজ মায়া' গল্পটি এটি অন্যতম শ্ৰেষ্ঠ গল্প হিচাপে সদায় আগশাৰীত স্থান পাই থাকিব বুলি ক'ব পাৰি। গল্পটিৰ চৰিত্ৰ চিত্ৰণ আৰু চুটিগল্প হিচাপে বিচাৰ-বিশ্লেষণ আমি অন্য অনুচ্ছেদত আলোচনা কৰিছোঁহঁক।



অগ্ৰগতি নিৰীক্ষণ

৪ নং প্ৰশ্ন ঃ 'অবুজ মায়া' গল্পটিত ফ্ৰয়ডীয় মনস্তত্ত্বৰ কিবা প্ৰভাৱ পৰিছে নেকি, বিশ্লেষণ কৰক। (150 টা শব্দৰ ভিতৰত)

৯.৪.৪ চুটিগল্প হিচাপে 'অবুজ মায়া'

আৱাহন যুগত প্ৰেমৰ গল্পকাৰ হিচাপে যথেষ্ট জনপ্ৰিয়তা অর্জন কৰা ৰমা দাশৰ গল্পৰ টেক্‌নিক সম্পর্কে বিশিষ্ট সমালোচকসকলে মত দাঙি ধৰিছে। ত্ৰৈলোক্য নাথ গোস্বামীয়ে গল্পকাৰজনৰ টেক্‌নিক কিছু উন্নত বুলি ক'লেও প্ৰহ্লাদ কুমাৰ বৰুৱাই যুক্তিনিষ্ঠতাৰে তাক নস্যাৎ কৰি গল্পকাৰজনৰ টেক্‌নিকৰ দুর্বলতা প্ৰমাণ কৰি দেখুৱাইছে। সেয়া যি কি নহওক, ৰমা দাশৰ অন্য বহুতো গল্পৰ তুলনাত 'অবুজ মায়া' গল্পটি চুটিগল্প হিচাপে কিন্তু সফল গল্প বুলিয়ে ক'ব পাৰি।

চুটিগল্পত প্ৰকাশৰ ৰীতি চাৰিটা।তাৰে এটি ৰীতি অনুযায়ী 'অবুজ মায়া' গল্পটিত কেন্দ্ৰীয় চৰিত্ৰ সোণৰ মুখেৰে গল্পৰ কাহিনীভাগ উপস্থাপন কৰা হৈছে। সোণৰ স্মৃতিপটত আহি ধৰা দিয়া শৈশৱৰ এছোৱা কাহিনী দাঙি ধৰাত গল্পটিৰ টেক্‌নিক যথেষ্ট বাস্তৱসন্মত হৈছে। অতীতৰ সেই ঘটনাৰ প্ৰভাৱ সোণৰ পাছৰ জীৱনতো কিমান গভীৰ আছিল— সেই কথা ঘনে ঘনে স্মৃতিলৈ অহাৰ ছলেৰে কাহিনীভাগ উপস্থাপন কৰাত তাৰ আকৰ্ষণ বাঢ়িছে।

চুটিগল্প হৈছে এটি বাস্তৱতাশ্ৰয়ী সাহিত্য। ইয়াৰ কাহিনীভাগ, চৰিত্ৰ, পৰিৱেশ আদি বাস্তৱসন্মত আৰু স্বাভাৱিক হ'ব লাগে। 'অবুজ মায়া' গল্পটিৰ কাহিনীভাগ অতীতৰ গুৱাহাটী নগৰীৰ গাঁওসদৃশ এটি পৰিৱেশৰ পটভূমিত দাঙি ধৰা হৈছে। সোণহঁতৰ দৰে ল'ৰাহঁতৰ কাৰ্যকলাপত গাঁৱলীয়া ল'ৰাৰ স্বাভাৱিক জীৱন সুন্দৰভাৱে ফুটি উঠিছে। তেনেদৰে পৰিৱেশৰ চিত্ৰণোঅতি স্বাভাৱিক হোৱাত পাঠকে অতি সহজতে তাৰ সৈতে একাত্ম হ'ব পাৰে। বাঁহতলৰ লুংলুঙীয়া বাটেৰে গৈ মৰা পুখুৰীৰ পাৰে পাৰে গৈ পোৱা ৰে'ললাইনৰ সিপাৰে আমবাৰীৰ আমকলি-কৰ্জুটেঙা গোটাই খোৱাৰ দৃশ্য অতি সজীৱ আৰু অতি জীৱন্ত। অলৌকিকতাৰ স্থান সাধাৰণতে চুটিগল্পত নাথাকিলেও তাক স্বাভাৱিক ৰূপত দাঙি ধৰিলে সি বিশ্বাসযোগ্য হয়। এনে দৃশ্য 'অবুজ মায়া' গল্পটিত বিশ্বাসযোগ্য ৰূপত অংকন কৰা হৈছে। ভৰ দুপৰীয়া বাঁহৰ তলৰ লুংলুঙীয়া বাটেৰে অকলে যোৱা সোণে ক'লা-ম'লা বস্তু দেখি আতঙ্কত চক খাই মূৰ্চ্ছাপ্ৰায় হোৱাৰ বৰ্ণনা অতি স্বাভাৱিক।

'অবুজ মায়া' গল্পটিৰ আৰম্ভণি চুটিগল্প শিল্পকলাৰ পিনৰ পৰা সফল বুলিয়ে ক'ব পাৰি। চুটিগল্পৰ আৰম্ভণি আকস্মিক হ'ব লাগে। গল্পকাৰে তেওঁৰ লক্ষ্য ফুটাই তুলিবলৈ আৰম্ভণিৰ পৰাই সচেতন হৈ সংযতভাৱে ভাষা প্ৰয়োগ কৰিব লাগে। মুঠৰ ওপৰত, বাহুল্যই যাতে স্থান নাপায়, তাৰ প্ৰতি সচেতন হৈ গল্পকাৰে প্ৰতিটো খোজতে সাৱধান হ'ব লাগে। এই পিনৰ পৰা 'অবুজ মায়া' গল্পটি শিল্পসন্মত বুলি ক'ব পাৰি। গল্পটি আৰম্ভ হৈছে কেন্দ্ৰীয় চৰিত্ৰৰ স্মৃতিৰ কথাৰে— "যেতিয়া ভৰ দুপৰীয়া আমৰ তলে তলে,জামৰ তলে তলে ঘূৰি ফুৰাটোৰেই জীৱনৰ একমাত্ৰ ডাঙৰ উত্তেজনা আছিল; যেতিয়া গড়খাৰৈত, বৰষুণৰ পানীত কাকতৰ সৰু নাওখনি সাজি উটুৱাই দিয়েই... গল্পটো ঠিক সেই সময়ৰ আৰু মনৰ সেই আলসুৱা অৱস্থাৰ।" ভাষাৰ ক্ষেত্ৰতো গল্পকাৰে সচেতন হৈ বাহুল্য বৰ্জন কৰি লক্ষ্যৰ প্ৰতি সততে চকু ৰখা পৰিলক্ষিত হয়।

চুটিগল্পত এটা কেন্দ্ৰীয় ভাব ফুটাই তুলিব লাগে। সেইবাবে লক্ষ্যৰ একমুখিতা (Singleness of Aim) আৰু প্ৰতীতিৰ এককেন্দ্ৰিকতা (Singleness of Effect)— চুটিগল্পৰ অতি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য বুলি কোৱা হয়। এই গল্পটিতো গল্পকাৰে 'সোণ' আৰু 'সেউতী বাই'ৰ মাজৰ আত্মিক সম্পৰ্ক দাঙি ধৰি সেই আকৰ্ষণ বা মৰমৰ টান এক বুজিব নোৱৰা মায়া হিচাপে উপলব্ধি কৰি চিত্ৰিত কৰিছে। এই অবুজ মায়াৰ প্ৰকাশেই

গল্পকাৰৰ মূল লক্ষ্য আৰু সেই সম্পৰ্কৰ গভীৰতাৰ ধাৰণা পাঠকৰ অন্তৰত গল্পকাৰে অনুভূত কৰাব বিচাৰিছে। এইক্ষেত্ৰত গল্পকাৰ সফল হোৱা বুলিয়ে ক'ব পাৰি।

দ্বন্দ্ব বা সংঘাতৰ ৰূপায়ণেৰে কৌতূহল জগাই তুলি চৰিত্ৰক অধিক উজ্জ্বল ৰূপত চুটিগল্পত দাঙি ধৰা হয়। 'অবুজ মায়া' গল্পটিত বহির্দ্বন্দ্ব আৰু অন্তর্দ্বন্দ্ব— দুয়োটাৰে প্ৰয়োগ কৰা দেখা যায়। সমাজৰ সৈতে সেউতী বাইৰ সংঘাত হৈছে; তেওঁ সমাজচ্যুতা হৈ অকলশৰে জীৱন নির্বাহ কৰিছে। সোণৰ অসুখৰ খবৰে সেউতী বাইৰ হৃদয়ত পাপ-পুণ্যৰ ধাৰণাৰ গভীৰ অন্তর্দ্বন্দ্বৰ সৃষ্টি কৰিছে— যাৰ পৰিণতিত সেউতী বাইয়ে সোণৰ মংগলৰ হকে আপোনঘাতী হৈছে। তেনেদৰে সোণক বুঢ়ীমাকে গৃহবন্দী কৰি ৰাখি সেউতী বাইৰ তালৈ যাবলৈ নিদিয়াৰ মাজতো এক দ্বন্দ্বৰ আভাস ফুটি উঠিছে। মুঠৰ ওপৰত, এনে ধৰণৰ দ্বন্দ্বৰ ৰূপায়ণে চৰিত্ৰ দুটাক উজ্জ্বল কৰি তোলাৰ লগতে কাহিনীৰ স্বাভাৱিকতা আৰু আকর্ষণীয়তা বঢ়াই তুলিছে। তেনেদৰে চৰিত্ৰ-চিত্ৰণৰ ফালৰ পৰাও সোণ, সেউতী বাই আৰু বুঢ়ীমাকৰ চৰিত্ৰ অতি সজীৱ আৰু জীৱন্ত বুলি ক'ব পাৰি।

চুটিগল্পৰ নামকৰণ সাধাৰণতে তিনিটা দিশৰ পৰা কৰা দেখা যায়— কেন্দ্ৰীয় ভাব, প্ৰধান চৰিত্ৰ আৰু কথাবস্তুৰ ইঙ্গিত। 'অবুজ মায়া' গল্পটিৰ নামকৰণ কেন্দ্ৰীয় ভাব অনুযায়ী কৰা দেখা যায়। সেইপিনৰ পৰা 'অবুজ মায়া'ৰ নামকৰণ সার্থক বুলি ক'ব পাৰি।

চুটিগল্পৰ সামৰণি আকস্মিক, নাটকীয় আৰু ব্যঞ্জনাময় হ'ব লাগে। 'অবুজ মায়া' গল্পটিত 'সোণ' চৰিত্ৰৰ মানসিকতাত সেউতী বাইৰ প্ৰেম আৰু আত্মত্যাগে কি গভীৰ ৰেখাপাত কৰিছিল— সেই নুবুজা মায়াৰ উপলব্ধিৰ গভীৰতাৰে গল্পটি শেষ কৰা হৈছে। এনে অনুভূতিয়ে সহৃদয় পাঠকৰ মনতো এক গভীৰ অনুভূতিৰ আৰু আনন্দৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। মুঠৰ ওপৰত, চুটিগল্প শিল্পকলাৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চালে 'অবুজ মায়া' গল্পটি আৱাহন যুগৰ অসমীয়া চুটিগল্পৰ ভিতৰত এটি অন্যতম সফল গল্প বুলি ক'ব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

৫ নং প্ৰশ্ন ঃ চুটিগল্প হিচাপে 'অবুজ মায়া' গল্পটিৰ নামকৰণৰ সার্থকতা বিচাৰ কৰক। (150 টা শব্দৰ ভিতৰত)



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰমা দাশৰ জীৱন আৰু সাহিত্য-কর্ম সম্পর্কে অৱগত হ'লোঁ।
- ৰমা দাশৰ গল্পৰ গুণাগুণ সম্পর্কে জানিব পাৰিলোঁ।

- 'অবুজ মায়া' গল্পটিৰ যোগেদি ৰমা দাশৰ গাল্পিক প্ৰতিভা সম্পৰ্কে অৱগত হ'লোঁ।
- আৱাহন যুগৰ অসমীয়া চুটিগল্প সম্পৰ্কে এটি আভাস লাভ কৰিলোঁ।
- চুটিগল্প শিল্পকলাৰ সৈতে পৰিচয় হ'লোঁ।



৯.৬ অধিক জানিবলৈ

1] গোস্বামী, ত্ৰৈলোক্যনাথ [2009] ঃ *আধুনিক অসমীয়া গল্প সাহিত্য* (ষষ্ঠ প্ৰকাশ); পাণবজাৰ, গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

2] নেওগ, মহেশ্বৰ; দাস, যোগেশ আৰু শৰ্মা, নাৰায়ণ (1978] ঃ *অসমীয়া গল্পগুচ্ছ*; যোৱহাট ঃ অসম সাহিত্য সভা।

3] বৰুৱা, প্ৰহ্লাদ কুমাৰ (2008] ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন* (তৃতীয় প্ৰকাশ); ডিব্ৰুগড় ঃ বনলতা।

4] বৰা, অপূৰ্ব (সম্পা.) (2012] ঃ *অসমীয়া চুটিগল্প ঐতিহ্য আৰু বিৱৰ্তন* (প্ৰথম প্ৰকাশ); যোৱহাট কেন্দ্ৰীয় মহাবিদ্যালয়, প্ৰকাশন কোষ¼

5] বৰুৱা, মুনীন্দ্ৰনাথ (সঙ্ক.) (2000] ঃ *ৰমা দাশৰ গল্প সমগ্ৰ* (প্ৰথম প্ৰকাশ); গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ¼

6] শৰ্মা, শৈলেনজিৎ (সম্পা.) (2010] ঃ *অসমীয়া চুটিগল্পৰ আলোচনা* (প্ৰথম প্ৰকাশ); পাণবজাৰ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ¼

7] শৰ্মা চৌধুৰী, যমুনা (1991] ঃ *চুটিগল্প* (প্ৰথম প্ৰকাশ); গুৱাহাটী ঃ ময়ূৰ প্ৰকাশন¼



৯.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰমা দাশৰ গ্ৰন্থকেইখনৰ নাম লিখি তেওঁৰ চুটিগল্পৰ ঘাই বৈশিষ্ট্যসমূহ আৰু পটুতা সম্পৰ্কে লিখিব লাগিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰমা দাশৰ গল্পত ব্যক্তি হৃদয়ৰ গোপন দিশটো কিদৰে ব্যক্ত হৈছে সেই সম্পৰ্কে লিখিব লাগিব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ চুটিগল্পত দ্বন্দ্ব বা সংঘাতৰ ভূমিকা সম্পৰ্কে লিখি সেউতীৰ মনত উদয় হোৱা পাপ-পুণ্য সম্পৰ্কীয় ধাৰণা, সোণৰ অমংগল হোৱা কথাটোত নিজকে দোষী সাব্যস্ত কৰা আদি ভাৱনা সম্পৰ্কে লিখিব লাগিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আৱাহন যুগৰ অন্য বহু গল্পকাৰৰ দৰে ৰমা দাশৰ গল্পত ফ্ৰয়ডীয় মনস্তত্ত্বৰ প্ৰকাশ হোৱা কথাটো লিখিব লাগিব। সোণৰ ভাৱনাত দুটা পৰিস্থিতিত তেনে চিন্তাৰ উকমুকনি হোৱা কথাটো ব্যাখ্যা কৰিব লাগিব।

৫ নং প্রশ্নৰ উত্তৰ ঃ চুটিগল্পৰ নামকৰণ তিনিটা দিশৰ পৰা কৰা হয়— সেই সম্পৰ্কে লিখি 'অবুজ মায়া' গল্পটিত কোনটো দিশ আগত ৰাখি নামকৰণ কৰা হৈছে, সেই সম্পৰ্কে ব্যাখ্যা কৰিব লাগিব।



৯.৮ আৰ্হিপ্রশ্ন

প্রশ্ন ১ ঃ আৱাহন যুগৰ চুটিগল্প সম্পৰ্কে এটি আলোচনা দাঙি ধৰক।

প্রশ্ন ২ ঃ আৱাহন যুগৰ চুটিগল্পৰ কোনটো ধাৰা ৰমা দাশৰ গল্পত দেখা যায়, উদাহৰণসহ বিশ্লেষণ কৰক।

প্রশ্ন ৩ ঃ 'অবুজ মায়া' গল্পটিৰ চৰিত্রসমূহ বিশ্লেষণ কৰি দেখুৱাওক।

প্রশ্ন ৪ ঃ 'অবুজ মায়া' গল্পটিত প্রতিফলিত হোৱা সামাজিক চিত্র সম্পৰ্কে এটি আলোচনা দাঙি ধৰক।

প্রশ্ন ৫ ঃ গল্পকাৰ হিচাপে ৰমা দাশৰ গল্পৰ এটি সমালোচনামূলক আলোচনা দাঙি ধৰক।

প্রশ্ন ৬ ঃ সেউতীৰ চৰিত্রত মানসিক দ্বন্দ্বৰ ৰূপায়ণ কিদৰে হৈছে, বিশ্লেষণ কৰি দেখুৱাওক।

প্রশ্ন ৭ ঃ 'অবুজ মায়া' চুটিগল্পটিৰ টেক্‌নিক আৰু প্রকাশৰ ৰীতি সম্পৰ্কে এটি চমুটোকা যুগুত কৰক।

*** ***** ***